ষষ্ঠ সংখ্যা ২ বহাগ, ১৪৩১ ভাস্কৰাব্দ ১৫ এপ্ৰিল, ২০২৪

ৰঙালী বিশেষ

# কণ্ঠ

The Voice



লোক সংস্কৃতিৰ গৱেষক, সাহিত্যিক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ অনিল শইকীয়া দেৱৰ সাক্ষাৎকাৰ




মূখ্য সম্পাদক

**নীতা চক্ৰৱৰ্তী**

সম্পাদনা নিৰ্দেশক

**ববিতা শইকীয়া**

সম্পাদনা কক্ষত

**পিয়ুষ ৰঞ্জন বৰদলৈ**
**পূৰ্বালী শৰ্মা**
**ৰাজীৱ ৰাহাং**
**খনিন ডেকা**
**কিষক ৰয়**

# সূচীপত্ৰ


| | |
|---|---|
| সম্পাদকীয় | 1-2 |
| সাক্ষাৎকাৰ | 3-8 |
| কবিতা | 9-10 |
| বিহু গীতত প্ৰকৃতিৰ চিত্ৰ | 11-12 |
| অসমৰ পাট -মুগা আৰু বয়ন শিল্পৰ অতীতৰ কিছু কথাৰে | 13-14 |
| প্ৰকৃতিৰ অনাবিল সৃষ্টিঃ ব'হাগ | 15-17 |
| ৰঙালী বিহুত কড়ি খেলৰ পৰম্পৰা | 18-19 |
| বিহুসুৰীয়া গীত | 20 |
| ধৰ্ষিতা আৱেগ | 21-24 |
| ভালপাও বুলি নকবা... | 25-26 |
| ব'হাগৰ ঐতিহ্য বিচাৰি | 27-28 |
| পৰম্পৰাগত অসমীয়া ব্যঞ্জন | 29-30 |





## নীতা চক্ৰৱৰ্তী

বসন্তৰ আগমনত প্ৰকৃতিয়ে বৰণ সলায়। পছোৱা - কুৰুৱাই উৰুৱাই আনে চিনাকি কেঁচা মাটিৰ গোন্ধ , চিনাকি ফুলৰ মিঠা সুৰভি। চ'ত মাহ সোমালেই ডেকা -গাভৰুৰ মন ৰাইজাই কৰে , শিমলুৰ কমোৱা তুলা উৰে , চাপত ভেবেলীলতা ফুলে। বন নহৰুৰ বগা বগা ফুলবোৰ দেখিলেই মনত প্ৰশান্তি জাগে। কপৌ ফুল ফুলে। মাধৈ মালতীৰ গোন্ধ নাকত লাগেহি । কেতেকীজোপা গোন্ধত মলমলাই থাকে, নাহৰ ফুল ফুলি ৰমক-জমক হয়। নৈ-খাল -বিল- গছৰ ডালে -পাতে প্ৰকৃতিৰ বিনন্দীয়া ৰূপত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু পালন কৰা হয় প্ৰকৃতিৰ অনন্য সাজত। সাত দিন ধৰি পালন হোৱা বহাগ বিহু বা ৰঙালী বিহু 'সাত বিহু' হিচাবে পৰিচিত।

**১) গৰু বিহু :-** চ'ত-বহাগ মাহৰ সংক্ৰান্তিৰ গৰু বিহুত তেল-মাহ হালধীৰে গৰুক গা ধুৱায় আৰু নতুন পঘাৰে বান্ধে। লাউ-বেঙেনা, থেকেৰা- হালধীৰ চাত গৰুৰ গালৈ দলিয়াই। সন্ধিয়া সময়ত গোহালীৰ সন্মুখত আৰু ঘৰৰ চোতালত বিহলঙনি, অগৰা , খেৰ, দীঘলতী -মখিয়তী আদিৰে জাগ দিয়া হয়।

# সম্পাদকীয়

ধুমুহা -বৰষুণৰ পৰা ৰক্ষা পাবলৈ নাহৰৰ পাতত শ্লোক লেখি বেৰত গুজি থোৱা হয়। এশ এবিধ শাক খোৱাৰ প্ৰথা চলি আহিছে অতীজৰে পৰা। গৰু বিহুৰ মাজ ৰাতিৰ পৰাই আৰম্ভ হয় হুচৰি বিহু।

**২) মানুহ বিহু :-** বহাগৰ প্ৰথম দিনটোতে নীতি-নিয়মেৰে নতুন বছৰটোক আদৰি লয় প্ৰতিজন অসমীয়াই। অঞ্চল ভেদে এশ এটা শাকৰ আগ বুটলি আনি খোৱাৰ প্ৰথা আছে এই বিহুৰ দিনা। শাকৰ বিভিন্ন ঔষধি গুণবোৰে আমাক গোটেই বছৰটোতে সুস্থ সবল হৈ থকাত সহায় কৰে। বিহু -হুচৰি গাই ৰাইজৰ আশীৰ্বাদ লোৱাৰ লগতে বিহুৱান উপহাৰেৰে এজনে আনজনৰ প্ৰতি মৰম - সন্মান-শ্ৰদ্ধা জনায় আৰু সৰুৱে ডাঙৰৰ পৰা আশীৰ্বাদ লয়।

**৩) গোঁসাই বিহু :-** সাত বিহুৰ তৃতীয় দিনৰ গোঁসাই বিহুত থান-মন্দিৰ -দেওশাল আদিত পূজা কৰা হয়। গাঁৱৰ ৰাইজে ৰাজহুৱা নামঘৰত গোটেই বছৰটোত সকলোৱে ভালে কুশলে থাকিবলৈ প্ৰাৰ্থনা জনায়।

**৪) তাঁতৰ বিহু :-** চতুৰ্থ দিনা তাঁতৰ বিহুত শিপিনীয়ে তাঁত শালখন ধুই-পখালি পৰিষ্কাৰ কৰি চাকি -বন্তি জ্বলায়।

**৫) নাঙলৰ বিহু :-** পঞ্চম দিনৰ নাঙলৰ বিহুত খেতিয়কে নাঙল-যুঁৱলি ধুই পৰিষ্কাৰ কৰি পথাৰত বিহু পাতে।

**৬) চেনেহী বিহু বা কুটুম্ব বিহু বা জীয়ৰী বিহু :-** ষষ্ঠ দিনৰ চেনেহী বিহু বা কুটুম্ব বিহুত ইষ্ট -কুটুম্বৰ ঘৰলৈ যায় আৰু নতুন বছৰৰ শুভকামনা জনায়। বিয়া দিয়া জীয়ৰী মাকৰ ঘৰলৈ আহে আশীৰ্বাদ ল'বলৈ। সেয়ে এই বিহুক জীয়ৰী বিহু বুলিও কয়।

**৭) চেৰা বিহু :-** সাত দিনৰ চেৰা বিহুত ৰঙালী বিহুৰ অন্ত পৰে। প্ৰথম বিহুৰ পৰা এই সাত দিনলৈ ডেকা -গাভৰুৱে নাচি -বাগি ভাগৰি পৰে আৰু এই চেৰা বিহুত আনন্দ ফুৰ্তিৰে নাচি -বাগি বছৰটোৰ বাবে ৰঙালী বিহুক বিদায় জনায়।

বৰ্তমান সময়ত বিহুয়ে বাণিজ্যিক ৰূপ লোৱাৰ লগে লগে সাতদিনীয়া বহাগৰ বিহুটিক জেঠ মাহ লৈকে মঞ্চই মঞ্চই উদযাপন কৰা হয়। অৱশ্যে প্ৰকৃতি আৰু কৃষিৰ লগত সংপৃক্ত হৈ থকা বহাগ বিহুৰ মাদকতা আৰু তাৎপৰ্য মঞ্চৰ বিহুৰ আধুনিক ৰূপে বহন কৰিব নোৱাৰে।

চিৰ প্ৰবাহমান লোককৃষ্টি অসমীয়াৰ গৌৰৱ বহাগ বিহুক আধুনীকতাৰ প্ৰলেপ পৰিলেও সাত বিহুৰ নীতি -নিয়মৰ মাজেৰে পালন কৰিলে আমাৰ বাপতিসাহোন বিহু চিৰকাললৈ জীয়াই থাকিব।

'কণ্ঠ The Voice' ৰ তৰফৰ পৰা সকলোকে অসমীয়া নৱবৰ্ষৰ শুভকামনা যাচিলোঁ।



# সাক্ষাৎকাৰ

লোক সংস্কৃতিৰ গৱেষক, সাহিত্যিক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অনিল শইকীয়া
জন্ম-১৯৫৫চন।
যোৰহাট ৰংদৈ গাওঁ।
পিতৃ- চাদিৰাম শইকীয়া
মাতৃ- খৰ্গেশ্বৰী লীলাৱতী শইকীয়া

পৰিবাৰ- আকাশবাণী ডিব্ৰুগড়ৰ লোকগীতৰ শিল্পী তথা ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিভাগৰ বিষয় শিক্ষয়িত্ৰী দিপালী দত্ত শইকীয়া ।

সন্তান-একমাত্ৰ সন্তান সংগীত পৰিচালক, সুৰকাৰ, সংগীতজ্ঞ, 'ৰজত কমল বঁটা' প্ৰাপক অনুৰাগ শইকীয়া ।

মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ শইকীয়া বৰ্তমান মৰাণ চহৰৰ বাসিন্দা ।

**কণ্ঠ, দ্য ভইচ** - বিহু মানে কি?বিহু শব্দটোৱে প্ৰকৃততে কি বুজায়?

**ডঃ অনিল শইকীয়া –** বিহু মানে অসমীয়াৰ জাতীয় উৎসৱ ,অসমীয়াৰ বাপতি সাহোন।

বিহু শব্দটো টাই শব্দ 'পৈহু' আৰু কোনো কোনো লিখনীত 'বৈহু' শব্দৰ পৰা আহিছে বুলি কোৱা হৈছে। 'পৈহু' শব্দই গৰুক গা ধুওৱা বুজায় আৰু কোনো কোনোৰ মতে অসমত সকলো জনগোষ্ঠীয়ে বিহু পাতে

অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকে বিহুক 'বিচুমা', বিচু, বৈচাগু আৰু বিচুৱা বুলি কয়। এই বৈচাগ, বিচুৱা, বিচু আদি শব্দৰ পৰাই বিহু শব্দটো আহিব পাৰে।

**কণ্ঠ,দ্য ভইচৰ প্ৰশ্ন -** বিহু নাম কেইপ্ৰকাৰৰ?

**ডঃ শইকীয়া –** বিহু নাম সাধাৰণতে চাৰিটা শাৰীত ৰচনা কৰা হয় ।এই চাৰিটা শাৰীৰ প্ৰথম দুটা শাৰীত প্ৰকৃতিৰ এটা উপমা বা সমসাময়িক কালৰ এটা ঘটনা বা কোনো দেৱ-দেৱীলৈ প্ৰাৰ্থনা বা কোনো এটা ৰূপক থাকিব পাৰে । তৃতীয় শাৰীটোত সাধাৰণতে প্ৰেম,মিলন,বিৰহৰ কথা কোৱা হয় । কিন্তু কোনো কোনো বিহুগীতত চাৰিওটা শাৰীতে প্ৰকৃতিৰ বৰ্ণনা ,দেৱ-দেৱীলৈ প্ৰাৰ্থনা থাকিব পাৰে বা প্ৰেম,মিলন,বিৰহ অভিযোগ বা অভিমানৰ কথা থাকিব পাৰে। সেয়া হ'ল বিহুনামৰ সংজ্ঞা।

বিহুনাম বা বিহুগীত দুয়োটা শব্দই সমাৰ্থক। ১৯৬৬ চনত প্ৰকাশিত ডঃ লীলা গগৈৰ 'বিহুনাম আৰু বনঘোষা' নামৰ গ্ৰন্থত এই কথা উল্লেখ কৰা হৈছে। আনহাতে জয়কান্ত গন্ধীয়াই বিহুনাম আৰু বিহুগীত সমাৰ্থক বুলি লিখিছে।

যিয়েই নহওক বিহু নাম আঠ প্ৰকাৰৰ। পৰিৱেশন শৈলীৰ ওপৰত ভিত্তি কৰি ইয়াক আঠ ভাগত ভাগ কৰা হৈছে। নাম একেটাই ,পৰিৱেশন শৈলীটোহে পৃথক।

এই আঠ প্ৰকাৰৰ ভিতৰত প্ৰথম ভাগটো যোজনা বা জোঙাল নাম-

যোজনা চাৰি শাৰীত ৰচনা কৰা হয় আৰু জোঙাল নাম তিনিশাৰীত ৰচনা হয় বুলি কোৱা হয়। কোনো কোনোৰ মতে চাৰিশাৰীত ৰচনা হ'লেও জোঙাল নামেই বোলে।

যেতিয়া বিহুনাম এফাঁকি তালবিহীন ভাৱে গৃহস্থক উদ্দেশ্য কৰি বা নাচনীক উদ্দেশ্য কৰি গোৱা হয় বা বিহুনাম এফাঁকিৰে কিবা অনুৰোধ কৰা হয় তাকে যোজনা বোলে।

উদাহৰণ-'প্ৰথমে প্ৰণামো আই সৰস্বতী,দ্বিতীয় প্ৰনামো হৰি,
তৃতীয়ে প্ৰণামো ঘৰৰে গৃহস্থ ধৰি যাও নামৰে গুৰি ॥

তিনিশাৰীৰ যোজনা সমূহ সাধাৰণতে অনুৰোধসূচক। যেনে-খুটিতে পৰিলে জিঞা,তললৈ মূৰেকৈ গুণিব নালাগে শৰাইখন ওলিয়াই দিয়া।
বা
'নাহৰ পাত এখিলি থিয় সমনীয়া নাহৰ পাত এখিলি থিয় ,লগৰ সমনীয়াই গগনা আনিছে ওলিয়াই নবজায় কিয়'।

এই যোজনা সমূহ ছটা সুৰত গোৱা হয়।

বিহুৰ দ্বিতীয় পৰিৱেশন শৈলী হৈছে 'জাত নাম' । এই জাত নাম এটা শব্দতো হ'ব পাৰে,দুটা বা তিনিটা শব্দতো হ'ব পাৰে আৰু এশাৰী,চাৰিশাৰী, আঠশাৰী বাক্যৰো হ'ব পাৰে।

এটা বিহুনাম যেতিয়া আন এটা বিহুনামৰ লগত পুনৰাবৃত্তি কৰা হয় তাকেই জাত নাম বোলে।

এটা শব্দৰ বিহুনাম হ'ল ৰেই কি ৰেই ৰেই, ৰেই ৰেই ৰেই',যাৰ কোনো অৰ্থ নাই যদিও ই বীণ বজোৱাৰ পৰা অৰ্থাৎ বীণৰ সুৰৰ পৰাও আহিব পাৰে বুলি অনুমাণ কৰা হয়।

এই 'ৰেই কি ৰেই ৰেই ৰেই' আন এটি বিহুনামৰ লগত সজাই এনেকৈ গোৱা হয়-
অতিকৈ চেনেহৰ ৰেই কি ৰেই ৰেই
মুগাৰে মহুৰা ৰেই কি ৰেই ৰেই
তাতোকৈ চেনেহৰ ৰেই কি ৰেই ৰেই মাকো॥

এনেকৈ নামতিয়ে লগাই দিয়ে আৰু লগৰীয়া সকলে গায় । এনেকৈ আন এটা নামৰ সহায়ত গায় গায় আগুৱাই গৈ থাকে। বিহুনামৰ তৃতীত পৰিৱেশন শৈলী –

খণ্ড চিগা নাম-সাম্প্ৰতিক সময়ত শুনা এক ধৰণৰ নাম যাক খণ্ড খণ্ডকৈ গোৱা নাম। ইয়াক স্বতন্ত্ৰ নাম বুলিও কোৱা হয়।

খণ্ড চিগা নামৰ ক্ষেত্ৰত এটা নাম এবাৰেই যায় হয় যে
দিনটো এবাৰ নেদেখিলে পেটতো নালাগে ভোক।'
এনেদৰে এবাৰ গোৱা হয় বাবে ইয়াক খণ্ড চিগা নাম বুলি কোৱা হয়। কিন্তু বহুজনৰ বাবে এটা নামত ছটা খণ্ড থাকে।

যেনে-

চৰাই হালধীয়া এটা খণ্ড।
পাখি বিনন্দীয়া আন এটা খণ্ড।
খুটি খায় অৰণ্যৰ টোপ-তৃতীয় খণ্ড.
দিনৰ দিনটো-চতুৰ্থ খণ্ড
এবাৰ নেদেখিলে –পঞ্চম খণ্ড
পেটতো নালাগে ভোক –ষষ্ঠ খণ্ড .
য'ত জান ঐ ,মৰমজান,হেই হেই আদি কিছুমান শব্দ সংযোগ কৰা হয়।

উদাহৰণ – 'জান ঐ চৰাই হালধীয়া
জান ঐ পাখি বিনন্দীয়া ,জান ঐ খুটি খায় অৰণ্যৰ টোপ এনেকৈ গোৱা হয়।

যাক খণ্ড চিগি এবাৰহে গোৱা হয়। দুবাৰ নাগায়।
তেনেদৰে বিচাৰি বিচাৰি এচাৰি আনিলোঁ গাঁঠি ঘনে ঘনে চাই
বিহুৰে তলিতে তোমাকে বাচিলোঁ কঁকাল খামুচীয়া পায়॥

খণ্ড চিগা নামত 'এ মৰমজান বিচাৰি বিচাৰি
এ মৰমজান এচাৰি আনিলোঁ
এ মৰমজান গাঁঠি ঘনে ঘনে চাই' এনেকৈ গায়-

চতুৰ্থ পৰিৱেশন শৈলীটো হ'ল- ফকৰা যোজনা। এই পৰিৱেশন শৈলীত প্ৰথম অংশটো এজনে কথা কোৱাৰ দৰে গায় আৰু দ্বিতীয় অংশতো সমস্বৰে গোৱা হয় এনেদৰে-

টেকেলী পৰিলে নাদত সমনীয়া টেকেলী পৰিলে নাদত ,
এনেদৰে নামতিজনে বাকী সকলক সোধে ,'বোলো হয়নে?'
বাকী সকলে সমস্বৰে কয়-'হয় হয় হয়'

তাৰ পিছত আকৌ কথাৰে কয় –

মাকে জীয়েকে বিহু চাই আহোতে দুয়োজনী পৰিলে খালত বা বোকাত বুলি কোৱাৰ পিছতে আকৌ গায় –

ৰহিমলা ৰৈ ৰৈ ধেমালি কৰা ৰহিমলা ৰৈ ৰৈ ধেমালি,ৰৈ ৰৈ ধেমালি কৰা। 'ৰৈ ৰৈ ধেমালি কৰা ৰহিমলা' এইচোৰা সমস্বৰে গায় ।আৰু ইয়াকেই ফকৰা যোজনা বুলি কয়।

আকৌ আন কোনোবাই গায় এনেকৈ-

গেলা কোমোৰাৰে পানী সমনীয়া গেলা কোমোৰাৰে পানী,
এইজনী নাচনীক কেলৈ লাগিছে নিয়ক বুঢ়া শিয়ালে টানি মন জিলি খিলি খিলি বেঙানাৰ পাতে মন জিলি খিলি খিলি বেঙেনাৰ পাত।

'খিলি খিলি বেঙেনাৰ পাতে মন জিলি খিলি খিলি বেঙেনাৰ পাত ,এইচোৰা সমস্বৰে গায়।

বিহুৰ পঞ্চম শৈলী হ'ল ঠেলা নাম৷ এজনে গায় আনজনলৈ ঠেলি দিয়ে বাবে এই বিহুনামৰ শৈলীক ঠেলানাম বুলি কোৱা হয় । এটা নাম এজন নামতিয়ে অকলে পৰিবেশন কৰি আনজনলৈ ঠেলি দিয়ে এনেদৰে-

'হাতী হেৰুৱালোঁ লিহিৰি বনতে ঘোঁৰা হেৰুৱালো বনত,
পায়ো হেৰুৱালো সৰগৰ মুকুতা চোতালৰ দুবৰি বনত ॥
এনেদৰে গায় আনজনক দেখুৱাই দিয়ে আৰু আনজনে গায়-
'বোকাৰে গৰৈমাছ বোকাতে ঘূৰিলে ওপৰত উৰিলে বগ ,
মনৰ কথাষাৰ মনতে থাকিলে ক'বলৈ নাপালো লগ ॥'
এনেদৰে ইজনে সিজনলৈ ঠেলি গৈ থাকে।

কেতিয়াবা একেটা বিহুনামৰ প্ৰথম দুশাৰী এজনে গায়,দ্বিতীয় দুশাৰী আনজনলৈ ঠেলি দিয়ে আৰু কোনো অঞ্চলত দুটা বা তিনিটা শব্দৰে ঠেলা নাম গায় । বিশেষতঃ যোৰহাটৰ ৰংদৈ অঞ্চলত ১৯৬০চনৰ পৰা ১৯৭০চনৰ ভিতৰত এনেকুৱা দুটা শব্দৰে ঠেলা নাম গোৱা হৈছিল।

এজনে গায়- ফুল ফুল ফুল ফুল ফুল অ' ফুল,
ফুলিলে ফুল অ' ফুল অ' ফুল ॥
আনজনে গায়-গছ গছ গছ গছ গছ অ' গছ
গছত লাগিলে পাত অ' পাত।

নাইবা কোনো কোনোৱে গায় – গামোচা গামোচা গামোচা অ'
আনজনে গায়- টঙালি টঙালি টঙালি অ'৷
অৱশ্যে এই ঠেলা নাম কেৱল পুৰুষ সকলৰ মাজতহে হয়।

ষষ্ঠ পৰিৱেশন শৈলীটো হ'ল- যোৰা নাম- যোৰা নাম সাধাৰণতে ডেকা-গাভৰু উভয়ে গায় ।ডেকাই গাভৰুক প্ৰশ্ন সোধে বিহু নামেৰে আৰু গাভৰুৱে উত্তৰ দিয়ে বিহুনামেৰে । অথবা গাভৰুৱে প্ৰশ্ন সোধে বিহু নামেৰে ডেকাই উত্তৰ দিয়ে বিহুনামেৰে৷ । ৰএই যোৰানাম মুকলি বিহুত পৰিৱেশন কৰা দেখা যায়।

উদাহৰণ-

গাভৰুৱে সোধে-নামদাঙৰ শিলৰ সাঁকো,
কোনে আনি দিব ৰাচ,দোৰপতি
কোনে আনি দিব মাঁকো॥

ডেকাই উত্তৰ দিয়ে- নামদাঙৰ শিলৰে সাঁকো
ময়ে আনিদিম ৰাচ দোৰপতি ময়ে আনি দিম মাঁকো ॥

বিহুৰ সপ্তম পৰিৱেশন শৈলী হৈছে নেজ লগা বিহুনাম । এই নেজ লগা বিহু নামত বিহু নাম এফাঁকিৰ পাচফালে আন বিহুনাম যোগ কৰি গৈ থাকে। কেতিয়াবা এটা বিহুনামৰ পিছত কিছুমান শব্দ যোগ কৰি দীঘল কৰি গৈ থকাকে 'নেজ লগা বিহু নাম' বুলি কোৱা হয়।

উদাহৰণ-

আকৌ আইটি লাহে দাং ঐ ,লাহে লাহে বাহু দাং ঐ
বাহুৰ তলে সৰকি যাওঁ
বাহুৰ তলে সৰকি যাওঁ।
এনেকৈ গায় ইয়াৰ পিছত শব্দ লগাই আকৌ গায়-
যাৰে আইটি জেলপী মিঠাই
তোমাৰ লগত শুকাই ক্ষীণাই এধা পোৰা বেঙেনা হ'লো
আইটি ৰসগোল্লা আগে মৰম লগাইছিলা
এতিয়াহে পাহৰি গ'লা আইটি ক খ
কাগজতে লিখি থ
তোৰেনো কেইবছৰ হ'ল ॥

কেতিয়াবা শব্দ নলগাই এটা বিহু নাম সম্পূৰ্ণকৈ লগাই দিয়ে।
উদাহৰণ-
এ আিটি কাঁহী ঘূৰণীয়া আইটি মন উৰণীয়া

উৰে আইটি তোমাৰ বয়সলে চাই বুলি কৈ বেলেগ বিহুনাম এটা লগাই দিয়ে যেনে-

চায়ে আইটি পৰ্বতে পৰ্বতে আইটি বগাব পাৰোঁ মই আইটি লতা বগাবলৈ টানে আইটি জুৰীয়া হাতীকো বলাব পাৰো মই তোমাক বলাবলৈ টানে আইটি বিচাৰি বিচাৰি আইটি এচাৰি আনিলো আইটি গাঁঠি ঘনে ঘনে চায়ে আইটি ....

এনেকৈ দীঘল কৰি গৈ থকে।
বিহুনাম একেটাই কিন্তু পৰিৱেশন শৈলীৰ ভাবেহে শ্ৰেণীকৰণ কৰা হৈছে।

বিহুনামৰ শেষৰ অৰ্থাৎ অষ্টমটো পৰিৱেশনশৈলী হৈছে – ‘কাহিনী মূলক বিহুনাম’।লীলা গগৈৰ ‘বিহুগীত আৰু বনঘোষা’ত এটা কাহিনীমূলক বিহুনাম আছে । ‘ৰঙিলী পমিলী বিহুনাম’। ঘনশ্যাম খনিকৰৰ বিহুগীতৰ গ্ৰন্থতো কেইবাটাও কাহিনীমূলক বিহুনাম পোৱা যায়।

এইয়াই হৈছে বিহুগীতৰ বা বিহুনামৰ শ্ৰেণী বিভাজন। কোনো কোনোৱে বিহুগীতৰ ভাষাটোক লৈ বা অৰ্থক লৈও বিহুগীতৰ শ্ৰেণীবিভাজন কৰা দেখা যায়।

যেনে-শৰাই উলিওৱা নাম, গামোচা খোজা নাম ইত্যাদি ইত্যাদি।

**কণ্ঠ, দ্য ভইচ -** বিহুনাচৰ ভংগীমা কেই প্ৰকাৰৰ?
**ড০ শইকীয়া –** বিহুনাচৰ ভংগীমা মূলতঃ তিনি প্ৰকাৰৰ

প্ৰথম-হাতৰ ভংগীমা
দ্বিতীয়-পদচালনা বা ভৰিৰ মান
তৃতীয়-শৰীৰৰ ভংগীমা।

ইয়াৰে ভৰিৰ ভংগীমা বা পদচালনা কেইবাটাও আছে । কেতিয়াবা খুজি খুজিকৈ যায়। মানে অকণ অকণ কুট কুট কৈ যায়।

কেতিয়াবা ভৰিটো সামান্য চোঁচৰাই যায় আৰু তাক খুপি খুপি বুলি কয়।

কেতিয়াবা ভৰিকেইটা সম্পূৰ্ণ চোঁচৰাই যায় যাক মকৰা বোলনি বুলি কোৱা হয়।

কেতিয়াবা খুজি খুজিকৈ গৈ থাকোতে অকণমানকৈ খুটুক খুটুককৈ জাপ এটা মাৰে তাক ‘খুটুক জাপ’ বুলি কয় । কেতিয়াবা ভৰিকেইটাই সম্পূৰ্ণ দোপ দি নাচে। অৰ্থাৎ সম্পূৰ্ণ ভৰিটো এবাৰ উঠাই এবাৰ নমায় যাক ‘গিৰিপ গাৰাপ’ বুলি কয় ।
হাতৰ ভংগীমাৰ ক্ষেত্ৰত হাত দুটা বেছিকৈ মেলি দিয়ে যাক লক্ষীমপুৰৰ গগন মহন্তই ‘শগুন পাখি’ বুলি কৈছে। কেতিয়াবা হাত দুটা অলপ কোচাই তাক ‘চিলনী পাখি’বুলি কৈছে।
কেতিয়াবা দুয়োটা হাত কঁকালৰ ওচৰত দিয়া বা এটা হাত খোপাত দি আনটো হাত কঁকালত দিয়া আদিও অতৰ ভংগীমা বিহুনাচত দেখা যায়।

নাচৰ পাকো কেইবা প্ৰকাৰৰ –

টাকুৰী পাক-এই নাচৰ পাকত হাত দুখন কঁকালত থৈ টাকুৰীৰ দৰে ঘুৰে।

চেৰেকী পাক –হাত দুখন অলপ মেলি ঘুৰে যাক চেৰেকী পাক বুলি কয়।

হাওলি পাক-আনহাতে গাটো আগলৈ হাওলাই নাচে বাবে তাক হাওলি পাক বুলি কয় .

ভাউৰি পাক-কেতিয়াবা মূৰটো অগলৈ কৰি হেলনীয়া হৈ ঘুৰি ঘুৰি নাচে যাক ভাউৰি পাক বুলি কোৱা হয়।

শৰীৰৰ ভংগীমা-
শৰীৰ ঠেকেচি নাচিলে ঠেকেচনি নাচ। কোনাবাই বেঁকা হৈ ঠেকেচি নাচিলে বুঢ়ী ঠেকেচনি নাচ বুলি কয়।

**কণ্ঠৰ প্ৰশ্ন-** বিহুত ব্যৱহৃত বাদ্যসমূহ কি কি?

**ড০ অনিল শইকীয়া–** বিহুত মূলতঃ পঞ্চবাদ্য ব্যৱহৃত হয় ।ঢোল আৰু তালক এটা বাদ্য বুলি ধৰা হয়।

ঢোল,টকা,পেঁপা.গগনা আৰু সুতুলী বিহুৰ পঞ্চবাদ্য । আনহাতে ইয়াৰ লগতে আৰু এবিধ বাদ্য আছে যাক জেমটং বুলি কোৱা হয় । শকত বাঁহৰ এপাব কাটি তাৰ পৰা বিশেষ কায়দাৰে দুডাল সূত ,শলি বা চোঁচ উলিওৱা হয় আৰু শলখা দি দুইডাল শলি ওপৰলৈ ডাঙি ধৰা হয়। এডালে টং টং আৰু আনডালে ঢং ঢং শব্দৰ সৃষ্টি কৰে।
বহু ঠাইত বিহুত বীণো বজোৱা হয়।

**কণ্ঠৰ প্ৰশ্ন-** বিহুনাম বা বিহুগীতত ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত কি?

**ড০ অনিল শইকীয়া-** এটা সময়ত বিহুনাম গাওতে বিহুত ধৰ্মৰ প্ৰভাৱ দেখা গৈছিল । যেনে- আই সৰস্বতী লংফুল বকুলী তোমালৈ মানি যাও কি
তোমালৈ মানি যাও শুকুলা ছাগলী মাহে পৰমাণে দি॥

এই নামে দেৱ-দেৱীৰ পূজাৰ কথাকেই বুজাইছে । অৱশ্যে অসমীয়া সমাজত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰাৰ পিছত অৱশ্যে দেৱী সৰস্বতীৰ স্থান প্ৰথমতেই থাকিল যদিও কৃষ্ণই দ্বিতীয় স্থান পালে।

সেয়েহে গোৱা হয়- প্ৰথমে প্ৰণামো আই সৰস্বতী দ্বিতীয়ে প্ৰণামো হৰি

তৃতীয়ে প্ৰণামো ঘৰৰে গৃহস্থ ধৰি যাও নামৰে গুৰি।

বিহুৰ যোজনাত সামান্য ৰূপত দেৱ-দেৱীলৈ প্ৰাৰ্থনা কৰা দেখা যায় । কিন্তু বাকী বিহুৰ যি ছন্দ তাত প্ৰেম,বিৰহ,মিলন,অভিমান,অভিযোগ,অংগসজ্জা,ৰূপ-গুণ বৰ্ণনা আদি কথা থাকে।

বিহু সৰ্বজনীন। দুই এক যোজনাত দেৱ-দেৱীৰ নাম উল্লেখ হ'লেও জাতি বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে মুকলি বিহু।

**কণ্ঠৰ প্ৰশ্ন-** বিহুত অশ্লীলতা আছে নেকি বা বিহুনাম সমূহ অশ্লীল নেকি? কি ক'ব আপুনি?

**ড০ শইকীয়া-** এটা সময়ত গোটেই পৃথিৱীখন কেৱল পথাৰ পথাৰ,অৰণ্য অৰণ্য আছিল আৰু অৰণ্যৰ মাজত লুংলুঙীয়া বাটেৰে ভৰপূৰ আছিল।সেই
সময়ত কৃষি বা খেতিৰ বাহিৰে কৰিবলগীয়া একোৱেই নাছিল ।হয়তো তেনে খেতি কৰি খোৱা চহা মানুহৰ মাজত দুই এজন সাউদ বা সদাগৰ আছিল। সেই সময়ত যিহেতু স্কুল কলেজো নাছল গতিকে এই খেতি কৰা মানুহবোৰে সেই সময়ত আনন্দৰ উৎস হিচাপে বিভিন্ন বিহুনাম,বিভিন্ন গীতমাত,মন্ত্ৰ আদি ৰচনা কৰিছিল। পথাৰত গীত গায় থাকোতে কেৱল নিজৰ বাবে গাইছিল। আনন্দ উল্লাসৰ বাবে ৰং ৰহইচ কৰি বিহু গাইছিল। কিন্তু শব্দৰ মহিমাৰে তাক ইমান আবুৰ কৰি ৰাখিছিল যাক অশ্লীল বুলি কোৱাতকৈ আমি সাহিত্য বুলিহে ক'ব পাৰোঁ।

উদাহৰণ- নাৰীয়ে গায়- কঁচু টেঙা খুতৰা বিলাহী ঢেকীয়া
জুতি লগায়ে খাবা ,
গধুলিৰ পৰা দুৱাৰ খুলি থ'ম
বিৰালি যোৱাদি যাবা॥
অৰ্থাৎ মেকুৰী যোৱাদি মনে মনে যাবা।
ঠিক তেনেকৈ –বেলি মাৰে গ'লে ইৰুচি সিৰুচি ঘিলা মাৰে গ'লে ফাকত
তোমাৰে আমাৰে কথা মাৰে গ'লে জুৰীয়া জামুকৰ তলত॥

এই গীতত কিছু ইংগিত থাকিব পাৰে বা আছে কিন্তু এই ইংগিতধৰ্মী বিহুক লীলা গঁগৈয়ে বনঘোষা বুলিহে অভিহিত কৰিছে । সেইখিনি অৱশ্যে গৃহস্থৰ চোতালত গাবলৈ নহয় অকলে অৰণ্যত ঘূৰি ফুৰোতে ৰচনা কৰা গীতহে । আমি যদিও শ্ৰী কৃষ্ণৰ ৰাসলীলালৈ চাওঁ তেন্তে তাতো কিছু তেনে শব্দ আছে।

**কণ্ঠৰ প্ৰশ্ন-** বিহু চৰ্চাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক কি বা কেনে পৰামৰ্শ দিবলৈ বিচাৰিব ?

**উত্তৰ-** পৰামৰ্শ নিদিও।


মই ব্যক্তিগতভাৱে অতি সন্তোষিত কাৰণ নৱ প্ৰজন্মই তি শৃংখলিতভাৱে বিহুৰ চৰ্চা কৰিছে। নৱ প্ৰজন্মই শদিয়াৰ পৰা ধুবুৰীলৈকে কমেও দুহেজাৰখন বিহুৰ কৰ্মশালা অনুষ্ঠিত কৰিছে ।আনকি আপুনি শুনি ভাল পাব যে মৰাণৰ নিচিনা ঠাইত তিনিবছৰৰ আগলৈকে ৫০০০লৈকে ঢোল আৰু ৩০০০লৈকে গগনা বিক্ৰী হৈছিল। গগনা বিক্ৰী কৰি পালচাৰ বাইক কিনিছে অসমীয়া ডেকাই । আমাৰ এতিয়াৰ শিপিনী সকলে বেছিকৈ ৰটঙালি বৈছে ,মৃৎশিল্পী সকলে বেছিকৈ সূতুলী সাজিছে . ইমানেই বিহুৰ চৰ্চা হৈছে যে এতিয়া অসমৰ যকোনো ঠাইতে অতি সুন্দৰকৈ নাচিব পৰা বিহুৱা-বিহুৱতীক লগ পাব। একেবাৰে আশাব্যঞ্জক কথাটো হ'ল যে যোৱা বছৰ এঘাৰহাজাৰ বিহুৱা-বিহুৱতীয়ে বিহু নাচি গীণিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত নাম ৰাখিবলৈ সক্ষম হৈছে। ইয়াতকৈ গৌৰৱৰ কথা কি হ'ব পাৰে। ভাবিলে মোৰ চকুলো নিগৰি আহে। ইয়াৰ মাজতো বিহুৰ সমালোচনা হৈছে। কিন্তু জাতিয়ে জানে কাক গ্ৰহণ কৰিব আৰু কাক বৰ্জন কৰিব।

অতীজতো বহু বিহুগীত ৰচনা কৰা হৈছিল সকলো জাতিয়ে গ্ৰহণ কৰা নাই।কিছু গ্ৰহণ কৰিছে ,কিছু বৰ্জন কৰিছে। আজি কোনোৱে ৰচনা কৰা বিহুনাম এটি যদি ১০০বছৰৰ পিছত কোনোৱে গায় তেন্তে আমি বুজি পাম যে জাতিয়ে ইয়াক গ্ৰহণ কৰিছে। আৰু কোনেও নোকোৱাকৈয়ে ‘প্ৰথমে প্ৰণামো আই সৰস্বতী’ৰ নিচিনা বিহুনাম প্ৰজন্মৰ পিছত প্ৰজন্মলৈ নিচিগা ধাৰেৰে বোঁৱতী সূতীৰ দৰে বৈ আছে।

**একেবাৰে শেষত কণ্ঠৰ প্ৰশ্ন-** শেষত আমাৰ ই-আলোচনী কণ্ঠ দ্য ভইচৰ তৰফৰ পৰা আপোনাক আন্তৰিক ধন্যবাদ জনাইছোঁ আমাক আপোনাৰ ব্যস্ততাপূৰ্ণ সময়ৰ মাজৰ পৰা ইমান সময় দিয়াৰ বাবে। কণ্ঠ ,দ্য ভইচ আগুৱাই যোৱাৰ ক্ষেত্ৰত আপোনাৰ শুভাশীষ,দিহা-পৰামৰ্শ কামনা কৰিলোঁ .

**ড০ অনিল শইকীয়া –** কণ্ঠলৈ শুভকামনা জনাইছো৷ আশা ৰাখিছোঁ আপোনালোকে যেনেকৈ আমাৰ থলুৱা কৃষ্টিৰ প্ৰচাৰ আৰু প্ৰাৰৰ বাবে যি ব্যৱস্থা লৈছে সি আশাপ্ৰদ আৰু আপোনালোক সাধুবাদৰ পাত্ৰ।

**কণ্ঠ-** পুনৰবাৰ ধন্যবাদ জনাই আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি আমাৰ এই ৰঙালি বিশেষ সংখ্যাৰ এই সাক্ষাৎকাৰ ইয়াতেই সামৰণি মাৰিছোঁ



# সপোন

জীৱন মানেই মৃত্যু অনিবাৰ্য
মানৱ জীৱনৰ এইটো অপ্ৰিয়
সত্য
তথাপিও হাৰ মনা নাই নিয়তিৰ ওচৰত
নিৰ্ভয়ে নিৰ্বিকাৰে আগবাঢ়িব খোজোঁ জীৱন বাটত
উভতি চাবলৈ মোৰ আহৰি নাই
মাথোঁ গৈছো,
মাথোঁ গৈছো
কিবা পোৱাৰ আশাত
কিবা দিয়াৰ আশাত
পশ্চিমৰ সূৰুযৰ কিৰণে
প্ৰকৃতিৰ নিয়ম পালন কৰে
হাত বাউলী মাতি মোক
দিনতোৰ কথাকে সোধে
কৰ্তব্য পৰায়ন জীৱনত
বহু কাম আছে ৰৈ
সময়ৰ লগত হ'ম অগ্ৰসৰ
নিয়তিৰ ওচৰত মই নামানো হাৰ
জয় হ'ম মই জীৱন বাটত



**বন্তি গোস্বামী**
**গুৱাহাটী**

# ব্ৰহ্মপুত্ৰ

ব্ৰহ্মপুত্ৰ তুমি হলা বহ্নিমান
অতীতৰ পৰা নিৰৱাচ্ছিন্ন
গতিৰে বৈয়েই আছা।
গুৰু-গম্ভিৰ ধীৰ স্থিৰ
চঞ্চলা গতিৰে বহুদূৰ
নানা ঠাইত নানা নাম
লৈ ইমূৰৰ পৰা সিমূৰলৈ।
তোমাৰ তীৰতেই গঢ় লৈ
উঠিছে বহু সৰু
ডাঙৰ নগৰ চহৰ
বাণিজ্য,বসতিৰ কেন্দ্ৰস্থল।
গঙ্গা ৰাইজেও যেন হৈ
পৰে আকুল-বিহ্বল,
অপেক্ষাত তোমালৈ চাই,
শস্য পথাৰখনো উপচি পৰিব,
পৰস পলস পাই,
হব শস্য শ্যামলা



**শ্ৰী মামনী ভূঁঞা**

# ব'হাগঃঃ তোমাৰেই নাম

কপৌডালৰ কাষত
বহাগৰ উতনুৱা যৌৱন
দুচকুত বিশ্বাস আৰু আশ্বাসৰ
সীমাহীন প্ৰেম৷
ফাগুণৰ এজাক বৰষুণতেই
মোৰ গাওঁৰ আলিয়েদি
কাগজৰ নাওঁৰ অহাযোৱা।
চানি ধৰা পথাৰত অঘৰী
পুনি আৰু মেটেকাৰ সহবাস
বেজেৰুৱা এজাৰ ডালত
সুৰুজৰ হালধীয়া চুমা।
কোন সতেনো বজাওঁ পেঁপাটি
প্ৰতিশ্ৰুতিবোৰক আবেগৰ চোলা পিন্ধাই
এতিয়া যে মাথোঁ আশ্বাসৰ বহাগ।
পাহৰি যাওঁ মিছাক সঁচা
সঁচাক মিছা কৰাৰ কৌশলী আচৰণ
তথাপিও যে বহাগ
মোৰ মনৰ মাজত
তোমালৈ বুলি এটি
নৱতম প্ৰভাত ।।



**ধ্ৰুৱজ্যোতি চক্ৰৱৰ্তী**
কাহিলীপাৰা, গুৱাহাটী

# বিহু গীতত প্ৰকৃতিৰ চিত্ৰ

অসমৰ প্ৰকৃতি অতি মনোৰম আৰু জলবায়ু অতি শীত বা উৎকট গৰমৰ পৰা সহ্য কৰিব পৰা ধৰণৰ।বাৰমাহী গীতত  বৰ্ণোৱাৰ দৰে প্ৰতি ঋতুৱেই অসমৰ প্ৰকৃতিক নতুন আভৰণেৰে অলঙ্কৃত কৰে। সেইবাবে প্ৰকৃতিৰ লগত আত্মীয়তাৰ সংস্পৰ্শত অহাত যুগে যুগে অসমীয়া মানুহৰ মনত বিচিত্ৰ ভাৱ অনুভূতিৰ জন্ম হৈছে।তাৰ ফলত অসমীয়া ভাষাত অলেখ বিহু গীতৰ সৃষ্টি হৈছে।



**ৰঞ্জিতা ৰাণী বৰা**
**বেলতলা বনগাওঁ, গুৱাহাটী**

বিহু গীত সমূহ বিশ্লেষণ কৰিলে তাত অসমৰ প্ৰকৃতিৰ চাৰিটা চিত্ৰ ৰূপায়িত হোৱা দেখা যায়। এই কথা ড০ বিৰিঞ্চি কুমাৰ বৰুৱা দেৰৰ লিখনিত উল্লেখ পোৱা গৈছে। সেইয়া হৈছে অসমৰ নদ-নদী গৰু মহ চৰণীয়া উদং চাপৰি বহল পথাৰ আৰু মধুৰ সঙ্গীত সৃষ্টি কৰা পশু পক্ষীসমূহ।

লুইতৰ বাঢ়নী পানী,পাৰৰ চাপৰি কহুৱা বন ৰূপালী বালিৰ বুকুত শিহু ঘড়িয়ালে অসমীয়াৰ অনুভূতিক যুগে যুগে উদ্দীপ্ত আৰু বিস্ময়ান্বিত কৰি আহিছে।যেনে - " লুইতৰে বালি,বগি ধকে ধকি,কাছ ই কণী পাৰে লেখি," "চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলোঁ চিৰি লুইতলৈ চাই"আদি চিত্ৰ ই লুইতক অধিক আকৰ্ষণীয় কৰিছে। ঠিক সেইদৰে"দিখৌ নৈ এৰিব পাৰো ম ই লাহৰী জাঁজী নৈ এৰিব পাৰো "। এই বোৰতে অসমীয়া জাতিৰ নদী প্ৰীতি সুন্দৰ ভাৱে প্ৰকাশ পাইছে।

অসমীয়া ডেকা গাভৰুৰ  ধাননি পথাৰত উদয় হোৱা জীৱনৰ চলন্ত স্বৰ্ণময় মুহুৰ্তৰ চিত্ৰ বিহু গীতত আছে ---

দকৈ পথাৰত ধান দাই আছিলো
ঘিলা চকলিয়া মুঠি
সকলোকে দেখো লাহৰীক নেদেখোঁ
চাপৰে ওপৰত উঠি।

গছৰ ছাঁ গৰখীয়াৰ বিশ্ৰাম বিনোদনৰ স্থান ডেকা-গাভৰুৰ প্ৰেমৰ কুঞ্জ। এই সম্পৰ্কে ইঙ্গিত বিহু গীতত আছে



আহোঁবৰৰ তলে যাওঁ বৰৰ তলে
বৰৰে ঢপলা পাত
বৰৰ তলতে মোকে নোজোকাবি
ওলাব ম ইনা মাত।

ফুলৰ প্ৰতি আগ্ৰহ অসমীয়া নাৰীৰ সৌন্দৰ্য, স্পৃহাৰ অন্য এটি নিদৰ্শন। সুন্দৰী নাৰীৰ আলিঙ্গনৰ স্পৰ্শত পুষ্প বিকশিত হোৱা কল্পনা সংস্কৃত সাহিত্যৰ দৰে অসমীয়া গীতত বহু ঠাইত দেখা গৈছে -

ফুলৰ বাতৰি পালো ম ই আই টি
ভৰিতে মাৰিলো টিপা
বাৰ বছৰীয়া নুফুলা ফুলতে
আপুনি মেলিলে শিপা

বিহু গীতত প্ৰকৃতিৰ বৰ্ণনা কৈ শেষ কৰিব নোৱাৰি।
বহলৈ পথাৰত ধান দাই আছিলো হাতত সোণোৱালী কাচি।"ফেঁচাই কুৰুলিয়াই কুহু কুহু কৰি","ৰৈ নো ৰৈ কান্দিলে চুঙাৰে বাদুলি"। বিহু গীতত এনেধৰণৰ প্ৰকৃতিৰ বৰ্ণনাৰে ভৰি আছে।যি স্বাভাবিকতে অসমীয়া জনজীৱন গীতি ধৰ্মী হৈ পৰিছে।

বিহু অসমীয়াৰ জাতীয় জীৱনৰ উচ্ছাস বিজড়িত জাতীয় উৎসৱ। বহাগ বিহুৰ কথা কৈ থাকিলেও ওৰ নপৰে। বিহুৰ বতৰত ঢোলৰ মাত শুনি উজটিত যঁতৰ ভাঙি যাবলৈকো মন যায়, কিন্তু বছৰেকৰ মূৰত অহা বিহুটিক ধৰি ৰাখিব ও নোৱাৰি।

'চতে গৈ গৈ বহাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈ থাকো মানে ওৰকে নপৰে
বহাগৰ বিহুৰে কথা।'



# "অসমৰ পাট -মুগা আৰ বয়ন শিল্পৰ অতীতৰ কিছু কথাৰে"



**মিতালী শৰ্মা**
**উলুবাৰী, গুৱাহাটী**

আৰহমান কালৰ পৰাই বয়ন শিল্পত অসম ভাৰত বিখ্যাত আছিল। অসমৰ পাট মুগাৰ ছাঁ- তে শুকুৰা মুঠিতে লুকোৱা সাজে অতীতৰে পৰা বৰ্তমানলৈকে আলোড়ন সৃষ্টি কৰি আহিছে।এই কথা সকলোৱে জানে যে চিত্ৰলেখাৰ অপূৰ্ব সাজ- পাৰে অনিৰুদ্ধ কোঁৱৰক বিস্মিত কৰিছিল। বৰপেটা অঞ্চলৰ পাটৰ কাপোৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তত্ত্বাৱধানত বৈকুণ্ঠৰ পট্ ফুলন সৰ্ব্বজন বিদিত এক গৌৰৱময় অধ্যায়।

ব'হাগ বিহুত বিহুৱান দিয়া ৰীতি অসমীয়াৰ এটা বিশেষত্ব। অসমীয়া সমাজত সাজ-পাৰ মৰম আৰু মৰ্যদাৰ প্ৰতীক স্বৰূপ। অসমীয়া লোক সাহিত্যত বস্ত্ৰৰ ওপৰত এনেধৰণৰ বহুত উদাহৰণ আছে যেনে:---

ক) ফটা হক ছিটা হক, পাটৰ টঙালী ,
কণা হক কুজা হক,ভুঞাৰ পোৱালি।

খ)প্ৰেমৰ সৰু সূতা ব'লা চেলেং কাপোৰ
পিৰীতি মোচোৰা মাৰি,
যায় জাৰ কালি ল'বলৈ নিদিলা
মাজত গাৰি সূতা পাৰি।



অসমৰ জীয়াৰী -বোৱাৰী সকলোটি বয়ন শিল্পত এনে কাজী আছিল যে ৰাতিৰ ভিতৰতে কপাহ নেওঠি, সূতা কাটি কাপোৰ বৈ উলিয়াই পিছ দিনা পুৱা গৃহস্থক, পো-নাতিক সেই কাপোৰ পিন্ধাই যুদ্ধ ক্ষেত্ৰলৈ সাজু কৰি পঠাইছিল। এনে কাপোৰক কবচ বোলা হৈছিল। এই কবচ যাৰ গাত থাকিব তেওঁ অজেয় আৰু অপৰাজেয়। অসমীয়া বোৱনীৰ ফুল বছা এটা লেখত ল'বলগীয়া লোক- কলা । অসমীয়া বোৱনীয়ে শালৰ প্ৰথম গামোচাখন নামঘৰলৈ বুলি আগ কৰে । তেওঁলোকে কাপোৰত সপোন পুৰীৰ ফুল বাছিছিল। কপাহী কাপোৰত সাধাৰণতে ৰঙা সূতাৰ ফুল আৰু পাটৰ কাপোৰত গুণাৰ ফুল বাছিছিল। অসমীয়া মানুহে কঁপাহী ,এৰি, মুগা আৰু পাটৰ কাপোৰ বহু দিনৰ পৰাই পৰিধান কৰি আহিছে। তেওঁলোকে নিজৰ শালত চাদৰ-মেখেলা,ৰিহা,চেলেং চাদৰ, গামোচা ইত্যদি বৈ পৰিধান কৰিছিল।

অতীতত অসমত পাট শিল্পৰ যি ব্যৱস্থা আছিল সেয়া সচাঁই আচৰিত। এই মুগা পাট শিল্প অসমলৈ কেতিয়া অহিল বা এই শিল্প অসমত কেতিয়া হ'ল সেই সম্পৰ্কে নানা প্ৰশ্নৰ অৱতাৰণা হয়। জানিব পৰা যায় যে অসমৰ ভূমিত মঙ্গোলীয় গোষ্ঠীৰ লোকে প্ৰচুৰ পৰিমানে পাট পলু, মুগা,এৰি আদি পুহিছিল। ১২২৮খৃঃত যেতিয়া ছু- কা-ফাই অসমত প্ৰবেশ কৰি ৰাজ্য পাতিবৰ বাবে উপযুক্ত ঠাই বিচাৰি অৱশেষত চৰাইদেউত ৰাজধানী পাতিলে। উক্ত সময়ত তাত নুনীগছৰ প্ৰাচুৰ্যতা পাইছিল। সেই সময়ত সেই অঞ্চলত মঙ্গোলীয় গোষ্ঠীৰ বৰাহী, চুতীয়া,কছাৰী, মৰাণ সকল বসবাস কৰিছিল। এইটো উল্লেখ কৰিব পাৰি যে মঙ্গোলীয় গোষ্ঠীৰ লোকসকলে ৰেচম শিল্প পোষকতা নকৰা হ'লে এইবোৰ গছৰ ইমান প্ৰাচুৰ্য্য নহলহেঁতেন। বিশিষ্টসাহিত্যিক হেম বুঢ়াগোহাঁইৰ "অসমীয়া লোকাচাৰ আৰু বিশ্বাস- অবিশ্বাস " গ্ৰন্থত এনেদৰে উল্লেখ আছে যে এই লোক সকলে দুটা কাৰণত মুগা পুহিছিল ইয়াৰ লেটা আৰু সূতাৰ বাবে।

প্ৰাচীন অসমত তৈয়াৰ হোৱা পাটৰ কাপোৰ, মুগা,এৰী আৰু মেজাংকৰি কাপোৰে সমগ্ৰ পৃথিৱীতে চমক দেখুৱাইছিল। অৰ্থ শাস্ত্ৰত উল্লেখ আছে যে " সুৱৰ্ণ কুণ্ডত সূৰ্য্যৰ দৰে উজ্জ্বল মৰকতৰ দৰে মিহি, পানীত তিয়াই বোৱা সমান পিতৰ কাপোৰ অসমত পোৱা গৈছিল '।অসমত মেজাংকৰিৰ কাপোৰ উৎপন্ন হৈছিল। মেজাংকৰি গছৰ পাত খোৱা পলুৱে দিয়া সূতা হৈছে মেজাংকৰি পাট।

বুৰঞ্জীত পোৱা যায় যে দেশৰ তিৰুতাই বোৱা-কটা এৰি বস্ত্ৰৰ কাৰণে পৰৰ ওচৰত হাত পাতিব নালাগে তাৰ বাবে স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত মোমাই তামুলীবৰবৰুৱাই এইটো নিয়ম প্ৰচলিত কৰে যে প্ৰতিজনী তিৰুতাই শোৱাৰ আগতে দুটা সূতলাহী পুৱাব আৰু প্ৰতিজন মুনিহে একোটাকৈ খৰাহি বা পাচী সাজিব। গাঁৱৰ গাওঁবুঢ়াই পাছদিনা ঘৰে ঘৰে গৈ চাই ফুৰিব সেই আজ্ঞা পালন কৰা হৈছে নে নাই। এই নিয়মৰ বাবে অসমীয়া তিৰোতা বিচক্ষণ শিপিনী বুলি অতীতৰ পৰাই সুনাম আছে।

বেনুধৰ শৰ্মা দেৱে তেওঁৰ "বুৰঞ্জী সঁফুৰা " নামৰ পুথিত অসমীয়া পাট কাপোৰ সম্পৰ্কে এনেদৰে মন্তব্য কৰিছে---" উত্তৰ ভাৰতৰ সম্ৰাট হৰ্ষবৰ্দ্ধনক হংসবেগ কটকীয়ে আমাৰ দেশৰ সোণ কুৰিহাৰ চুলি যেন সৰু চিক্ চিকিয়া সোণ বৰণীয়া পাটৰ কাপোৰ উপঢৌকন দি কামৰূপ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰেই যে মান মৰ্যদা বঢ়াইছিল এনে নহয়, কামৰূপীয়া (অসমীয়া)মানুহে যে অপেশ্বৰীৰ সূতা যেন দেবাংগ বস্ত তৈয়াৰ কৰিব পাৰে বুলি সদৌ ভাৰতত কামৰূপৰ (অসমৰ)নাম জগদ্জননী পতিত পাৱনী কৰিছিল"। আহোম যুগত এই পাট মুগা শিল্পই অসমত প্ৰচুৰ প্ৰসাৰতা লাভ কৰিছিল ৰাজকীয় নিদেৰ্শত।

বৰ্তমান শুৱালকুছি অঞ্চলত পাট-মুগাৰ কাপোৰ আৰু নগাঁওৰ বিভিন্ন ঠাইত এৰী, কঁপাহী কাপোৰ সূতাৰ উৎপাদন হয় যদিও কেঁচা সামগ্ৰীৰ যথেষ্ট অভাৱ পৰিলক্ষিত হৈছে।তথাপিও এই শিল্পৰ লগত জড়িত শিপিনী আৰু ব্যক্তিসকলে শিল্পটো জীয়াই ৰাখিব কাৰণে কৰা প্ৰচেষ্টা প্ৰশংসনীয়। অসমৰ তাতৰ কাপোৰ সাত সাগৰ পাৰ হৈ বিদেশী বজাৰত প্ৰাধান্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। গতিকে ইয়াৰ সংৰক্ষণ আৰু প্ৰসাৰৰ উন্নত ব্যৱস্থা কৰিব পাৰিলে, ভৱিষ্যতে এই শিল্পই অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিক নিশ্চয় দুগুণে মহীয়ান কৰি তুলিব। ( সহায়ক গ্ৰন্থ--"বুৰঞ্জী আৰু সংস্কৃতিৰ ৰূপৰেখা " প্ৰেম গগৈ। )


Advertisement
VOICE 24X7
REACHING THE UNREACHED
6.5M +
MONTHLY
READERS
FASTEST
GROWING
NEWS
PORTAL

# প্ৰকৃতিৰ অনাবিল সৃষ্টিঃ ব'হাগ



ডালিমী দেৱী

প্ৰকৃতিক সেউজ ভূষণেৰে অলংকৃত কৰি শস্য সম্ভৰা পৃথিৱীৰ ব'হাগ।ঢোল-পেঁপা-গগনাৰ মাতত ধৰিত্ৰীয়ে জানিলে -এয়া ৰঙৰ বৈভৱ।

ব'হাগ আস্থাৰ মাহ।। বলিয়া প্ৰেমিক ঢপলিয়াই ফুৰে নিভাঁজ সপোন বুকুত লৈ। চকুৰ পচাৰতে প্ৰেমৰ ছবি আঁকে প্ৰেমিকে। সপোনৰ সোণোৱালী ফুল বাংময় হৈ ভাল পোৱাত উটি-ভাঁহি ফুৰে মন। প্ৰেমিকাই চাদৰৰ আঁচলত বান্ধি লৈ ফুৰে কৃষ্ণচূড়াৰ ৰং। মনৰ দাপোণত খলকনি তোলে ব'হাগে। পলাশ, মদাৰ, কৃষ্ণচূড়া, ৰাধাচূড়াৰ ৰঙে মতলীয়া কৰে প্ৰেমিক-প্ৰেমিকাৰ মন, উজ্জীৱিত হয় প্ৰাণ। ব'হাগ আহিলে স্পন্দিত হয় হৃদয়, উন্মনা মনে হাহাকাৰ কৰে প্ৰেমাস্পদৰ এঁকাজলি প্ৰেমৰ বাবে। ক'লীয়া ডাৱৰে লুকাভাকু খেলে, বসন্তই বাহৰ পাতে মনত, ব'হাগে আমনি কৰে সকলোকে। আমিও ৰৈ থাকোঁ সমন্বয়ৰ ব'হাগক আদৰিবলৈ।

কুলিৰ সুৱদি-সুৰীয়া মাতে আনি দিয়ে ব'হাগৰ বতৰা। সকলো ফালে দেখা যায় অনাবিল মাধুৰিমা। ব'হাগত প্ৰকৃতিৰ বিনন্দীয়া ৰূপে নয়ন জুৰাবলৈ সুবিধা দিয়ে। এজাৰেও বেজাৰ নকৰে, জুইৰঙা কৃষ্ণচূড়াই মৰতত সৰগ ৰছে।

ব'হাগে প্ৰকৃতিক জীপাল কৰি গছ-বিৰিখক সেউজীয়া প্ৰদান কৰে। পৃথিৱীলৈ কঢ়িয়াই আনে সম্ভাৱনাৰ বীজ। ব'হাগে হৃদয়ত সিঁচে চিৰ-সেউজীয়া সপোনৰ গোপন প্ৰতিশ্ৰুতি। কৃষ্টিৰ মাদল বজোৱা ব'হাগীজনীয়ে সমন্বয়ৰ সেঁতু গঢ়ে। বতাহ-বৰষুণৰ আলিংগনত সৃষ্টি হয় বোকা-মাটিৰ গোন্ধ।



ব'হাগৰ এটা বেলেগ মাদকতা আছে। এই হেন ব'হাগতে বাপতি-সাহোন ৰঙালী বিহু উদযাপিত হয়। গ্ৰাম্য জীৱনৰ আবেগ-অনুভূতিৰ লগত জড়িত মুকলি পথাৰৰ বিহুৱে সময়ৰ গতিত পৰিৱৰ্তনৰ মাজেৰে আগুৱাই গৈছে যদিও বিহুৰ পূৰ্বৰ ঐতিহ্য আৰু স্বকীয়তা বৰ্তমানো বহুখিনি বৰ্তি আছে। কৃষিভিত্তিক সমাজৰ পৰা শিল্প-ব্যৱসায়ীক ক্ষেত্ৰলৈ উত্তৰণ ঘটাৰ ফলত স্বাভাৱিকতে জাতীয় উৎসৱ বিহুৰ পৰম্পৰা আৰু স্বকীয় বৈশিষ্ট্যৰো কিছু সালসলনি ঘটিছে যদিয়ো বিহুৰ প্ৰতি থকা অসমীয়াৰ আদৰ-স্নেহ কোনো গুণে কমা নাই। বৰ্তমানে বিহুৱে ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাৰ উপৰিও জনপ্ৰিয়তাৰ বিশাল পৰিসৰ লাভ কৰিছে। মুকলি পথাৰৰ বিহুৱে এতিয়া দেশ-বিদেশত খ্যাতি অৰ্জন কৰিছে। আনন্দৰ কথা যে চৰকাৰী পৃষ্ঠপোষকতাত আমাৰ ৰঙালী বিহুৱে বিশ্বত অভিলেখ গঢ়াৰ আয়োজন কৰিছে। গিণিজ বুকত নাম খোদিত কৰিছে।

বহাগ বিহু মূলতঃ কৃষিভিত্তিক। ব'হাগ বিহুৰ যোগেদি চহা জীৱনৰ সামগ্ৰিক দিশ তথা জীৱন দৰ্শন প্ৰতিফলিত হয়। পৰিবেশ-পৰিস্থিতি সলনি হ'লেও বিহু বুলি ক'লেই প্ৰতিজন অসমীয়াৰ দেহ-মন পুলকিত হৈ পৰে।

ৰঙালী বিহুটিৰ লগত অসমীয়া জাতীয় সংস্কৃতিৰ এক অপূৰ্ব প্ৰতিচ্ছবি লীন হৈ আছে। ৰঙালী বিহুৰ উৎপত্তিৰ মূল কোনো জাতি, সম্প্ৰদায় বা জনগোষ্ঠীৰ দৰ্শন বা বিশ্বাস নহয়। বসন্ত কাল আহিলেই অসমত বাস কৰা সকলো লোকেই আনন্দ-উলাহত অধীৰ হৈ পৰে। জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় আদিৰ ঠেক গণ্ডীৰ জাল ফালি সকলোৱে একগোট হয় নিজ আনন্দৰ বহিঃপ্ৰকাশ ঘটাবলৈ।

ব'হাগৰ পৰম্পৰাগত সাতবিহুৰ ভিতৰত গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, কুটুম বিহু, চেনেহী বিহু, হাট বিহু, ফাট বিহু, জেং বিহু আৰু চেৰা বিহুৱে অতীজৰ পৰম্পৰাক এতিয়াও ধৰি ৰাখিছে।

আত্মীয়-স্বজন তথা বন্ধুবৰ্গৰ লগত লগে-ভাগে এসাঁজ খোৱাৰ কুটুম বিহুৰ পৰম্পৰাই আমাক আজিও একতাৰ ডোলেৰে বান্ধি ৰাখিছে। কুটুম বিহুৰ যোগেদি আনন্দেৰে এঁসাজ খোৱাৰ অনুভৱ তুলনা বিহীন। প্ৰচাৰ আৰু প্ৰসাৰে গ্ৰহণযোগ্যতা সবল কৰে। বিহুৰ প্ৰসাৰ আৰু পৰিবৰ্দ্ধনৰ বাবে প্ৰবাসী অসমীয়া সমাজে লোৱা উদ্যোগো প্ৰশংসনীয়।

ৰঙালী বিহুৱে বিশ্বজনীন ৰূপ লাভ কৰাৰ পৰিক্ৰমা একেবাৰে সহজ নহয়। ৰঙালী বিহু উৎসৱে সাৰ্বজনীনতা লাভ কৰাৰ গতি ত্বৰান্বিত হ'বলৈ ধৰিছিল ষাঠিৰ দশকত। বিহুনাচ-বিহুনামৰ অনুষ্ঠানবোৰ পথাৰৰ পৰা আহি গৃহস্থৰ চোতালৰ লগতে মঞ্চত পৰিৱেশিত হ'বলৈ ধৰাৰে পৰা বৰ্তমান সময়ত গুগলত বিহু লিখি 'এণ্টাৰ' মাৰিলেই বিহু বিষয়ক অনেক ৱেবছাইটৰ ঠিকনা ভাঁহি আহে। ইয়ে ৰঙালী বিহুক বিশ্বৰ দৰবাৰত থিয় হবলৈ সক্ষম কৰিছে। গোষ্ঠীগত পাৰ্থক্যৰ উৰ্ধত থাকি ৰাইজে পালন কৰা উৎসৱেই হ'ল বিহু। শঙ্কৰ-মাধৱে ঐক্যৰ হকে কৰা কাম-কাজ, বিষ্ণু-জ্যোতিৰ শোষণ হীন অসম গঢ়াৰ মানসেৰে কৰা সংস্কৃতিৰ কাম-কাজক মনত ৰাখি বিহুৰ গভীৰতাক গুৰুত্ব দি আগবাঢ়িলে অসমত অৱশ্যেই এক সংস্কৃতিক ঐক্য গঢ় লৈ উঠিব । জাতীয় উৎসৱত অসমীয়া জাতিৰ স্ব-অভিমান জড়িত হৈ থাকে, সেয়ে ৰং-ধেমালিৰ লগতে আনুষঙ্গিক কথাবোৰো চিন্তা কৰাৰ প্ৰয়োজন, নহয়নে ?

যিখন দেশত নাৰীক দেৱীৰূপে পূজা কৰা হয়, সেইখন দেশতেই ঘটে বিশ্বৰ আটাইতকৈ বেছি নাৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হৈয়েই আছে। এইখন দেশত প্ৰতিদিনে নিৰানব্বৈগৰাকী নাৰী বলাৎকাৰৰ বলি হয়। নাবালিকাৰ পৰা বৃদ্ধালৈ অলেখ নাৰী মানুহ নামৰ এক শ্ৰেণীৰ দানৱৰ হাতত লাঞ্ছিতা হোৱাৰ খবৰ প্ৰতিদিনেই পোৱা যায়। কেৱল লিংগ বৈষম্যৰ বাবেই প্ৰতি মুহূৰ্ততে হাজাৰ হাজাৰ কন্যাভ্ৰূণ হত্যা হয়। ভাতৃঘাতী সংঘাত, গোষ্ঠীগত সংঘৰ্ষৰ উকমুকনিত দিক্ ভ্ৰান্ত হৈছে একাংশ লোক। নিজৰ ঘৰ-বাৰী এৰি আশ্ৰয় ল'ব লগা হৈছে একাংশ লোক শৰণাৰ্থী শিবিৰত। অনাগত দিনত অসমৰ পৰিস্থিতি জটিলৰ পৰা জটিলতৰ হৈ অগ্নিগৰ্ভা কৰি তুলিব নেকি বৰ অসমখনক, তাৰ চিন্তায়ো মাজে মাজে আমাক হতাশ কৰে ।

প্ৰকৃতিৰ পৰা পোৱা দ্ৰব্যক নিজৰ উপযোগী কৰি গঢ়ি লোৱাৰ ক্ষমতাৰ উত্তৰণৰ নামেই সভ্যতা। সুখ সমৃদ্ধি, অধিকাৰ, ক্ষমতা আদিৰ বাবে মানুহৰ মাজত যুঁজ হয়। এই যুঁজ আদিম কালৰ পৰা চলি আহিছে। বৰ্তমানেও তাৰ অন্ত পৰা নাই। সেয়ে হ'লেও মানুহ মানুহৰ মাজত  মানুহৰ বাবেই জীয়াই থাকিব লাগিব। বৌদ্ধধৰ্মৰ মন্ত্ৰ বা আদৰ্শ মতে মানুহৰ লগত মানুহৰ সম্বন্ধ হৈছে ঈশ্বৰ। ঈশ্বৰ ৰূপে মানুহৰ মাজত মানুহৰ এই সম্পৰ্ক আৰু দৃঢ় কৰি তোলা হয় বিহুৰ মাজেৰে।

সেই বাবেই আমি উদ্ যাপন কৰোঁ বিহু। ডাঙৰৰ প্ৰতি সৰুৰ শ্ৰদ্ধা, ডাঙৰৰ আশীৰ্বাদ, প্ৰিয়জনৰ চেনেহ-ভালপোৱা আৰু সমাজৰ ইজনৰ প্ৰতি সিজনৰ আত্মীয়তাবোধেই হৈছে বিহুৰ অন্তৰ্নিহিত বৈশিষ্ট্য। যিমান দিনলৈকে এই গ্ৰহণীয়তা বৰ্তি থাকিব, সিমান দিনলৈকে বিহুৱে সমন্বয়ৰ বাটত আগুৱাই গৈ থাকিব



# ৰঙালী বিহুত কড়ি খেলৰ পৰম্পৰা



**ৰীতু গগৈ**
নিয়মীয়া লেখিকা- নন্দিনী,এংকৰ-দূৰদৰ্শন,ৰেডিঅ' জ্ঞান তৰংগ,নিউজ এডিটৰ-ভীডী নিউজ,মিছেছ ডিভা ২০১৯

অতি পুৰণি সময়ৰ পৰাই অসমত থলুৱা খেল- ধেমালিৰ প্ৰচলন হৈ আহিছে। অসমীয়াৰ নিজৰ সৃষ্টি এই খেলসমূহ অসমৰ গছ-বনেৰে ভৰা সেউজীয়া পৰিবেশ, ধূলি-মাটি, চহা জীবন, লোকমন আদিৰ মাজেৰে স্বকীয় বৈশিষ্ট্যৰে সৃষ্টি হৈছিল।

অসমৰ সকলো জাতি-জনজাতিয়ে নিজৰ ভাষা তথা পৰিৱেশ, সামগ্ৰী অনুযায়ী থলুৱা খেলৰ সৃষ্টি কৰিছিল। তেওঁলোকৰ খেলাৰ পদ্ধতিৰ মাজত সাদৃশ্য থাকিলেও খেলবোৰৰ নাম আৰু সামগ্ৰীসমূহৰ মাজৰ কিছুমান খেল মাঘ বিহু, ৰঙালী বিহু, বিভিন্ন উৎসৱ- পাৰ্বণ, অনুষ্ঠান আদিত বিশেষ ধৰণে খেলা হৈছিল। খেলবোৰ প্ৰতিযোগিতামূলকভাৱেও অনুষ্ঠিত কৰা হৈছিল।

অসমৰ থলুৱা পুৰণি খেলসমূহৰ ভিতৰত অন্যতম হ'ল কড়ি খেল। খুবেই জনপ্ৰিয় এই খেলবিধ বিশেষভাবে ব'হাগ বিহু বা ৰঙালী বিহুৰ সময়ত খেলা হৈছিল। পৰম্পৰাগতভাৱে অসমত চলি অহা কড়ি খেল পুৰুষ-মহিলা উভয়ৰে মাজত জনপ্ৰিয় আছিল বা তেওঁলোকে খেলি ভাল পাইছিল। ব'হাগৰ সাত বিহুৰ ভিতৰত কড়ি খেল খেলাৰ নিয়ম আৰু ইয়াক খেলাটো অপৰিহাৰ্য আছিল। এসময়ত ৰজাঘৰীয়া খেল হিচাপে জনাজাত আছিল যদিও কড়ি খেল সাধাৰণ লোকেও খেলিছিল। কড়ি বা অসমত হোৱা নৰাবগৰীৰ গুটি ফালিও কড়িৰ দৰে ব্যৱহাৰ কৰি খেলা হৈছিল।

ৰঙালী বিহুত খেলা অন্যান্য খেলসমূহৰ লগতে কড়ি খেলে সুকীয়া স্থান লাভ কৰিছিল।

ৰাজপৰিয়ালৰ লগতে সৰ্বসাধাৰণ ৰাইজেও কড়ি খেলাৰ পৰম্পৰা ধৰি ৰাখিছিল আৰু উপভোগ কৰিছিল সকলোৰে মিলি। কড়ি খেলাৰ দুটা পদ্ধতি আছে। এটা হ'ল আঁচ টনা চালত খেলা পদ্ধতি।

চাল হ'ল মাটি বা কাগজত বিশেষ পদ্ধতিৰে আঁচ টানি লোৱা সামগ্ৰী। ই কেৱল কড়ি খেলত ব্যৱহৃত হয়। কড়ি খেল ৪ গৰাকীৰ পৰা ৬২ গৰাকীলৈকে খেলিব পাৰে। প্ৰত্যেকৰে বেলেগ বেলেগ ৰঙৰ গুটি থাকে। কড়িৰ খোলা বা উন্মুক্ত অংশটোক মুখ আৰু আনটো পিঠি বা বন্ধ অংশটোক পিঠি বোলা হয়। প্ৰথমে এগৰাকীয়ে কড়িকেইটা মুঠি মাৰি লৈ চালখনৰ ওপৰত পেলাব লাগে। এনেদৰে থেকেচা মাৰি পেলাওঁতে এটা কড়ি ওপৰমুৱাকৈ পৰিলে কড়ি পেলোৱা গৰাকীয়ে ৬০ নম্বৰ পায়। ৬০ নম্বৰ পোৱাৰ লগে লগে তেওঁ নিজৰ গুটি চালৰ ওপৰত স্থাপন কৰিব পাৰিব অৰ্থাৎ গুটিটো চালত ৰাখিব পাৰিব। পিছৰ বাৰত কড়ি থেকেচা মাৰি থওঁতে যি নম্বৰ পাব সেই মতে গুটি আগবঢ়াব পাৰিব। কড়ি চালত পেলাওঁতে একেবাৰে তিনিবাৰ ৬০ পালে গেলি যোৱা বুলি কয়। অৰ্থাৎ তেওঁ একো নম্বৰ নাপায়, নম্বৰ হ'ব শূন্য। অৱশ্যে তেওঁক আৰু এবাৰ কড়ি পেলাবলৈ সুবিধা প্ৰদান কৰা হয়। তেতিয়া পুনৰ ৬০ নম্বৰ পালে মুঠ ৪০ নম্বৰ কৰা হয় আগৰ তিনিবাৰৰ লগত যোগ দি, নম্বৰ পায় ৪/৬ বা ৬২ মাৰিলেও আকৌ এটা সুবিধা পায় (৬ নম্বৰ পাবলৈ ৬টা কড়ি তলমুৱাকৈ পৰিব লাগিব, ৬২ নম্বৰ পাবলৈ ছটা কড়ি ওপৰমুৱাকৈ পৰিব লাগিব)। পুনৰ ৬০ বা ৬৫ পালে ৬ বা ৬২ সংখ্যাটো যোগ হয়। ২৫ পাবলৈ হ'লে এটা কড়ি তলমুৱাকৈ পৰি পাঁচটা কড়ি ওপৰমুৱাকৈ পৰিব লাগিব। আক ২৫ পালে লগত 'পোৱা' পায়। ২৫ পালেও চালত গুটি স্থাপন কৰিব পাৰি। ৬২ নম্বৰটো পালে অৱশ্যে লগতে গুটি চালত থাকিব লাগিব তেতিয়াহে গ্ৰহণ কৰিব পাৰিব। দ্বিতীয় পদ্ধতিত চাৰিটা কড়ি ব্যৱহাৰ কৰি কড়ি খেল খেলা হয়। চাৰিগৰাকীয়ে খেলা এই খেল ছোৱালীবোৰৰ মাজত খুৱেই জনপ্ৰিয়।

প্ৰথমে এগৰাকীয়ে কড়িকেষটা মুঠি মাৰি মজিয়াত এক আন্দাজত পেলাই দিয়ে। কড়িকেইটা ওপৰমুৰাকৈ পৰিলে আটাইকেইগৰাকীৰ মাজত থপিয়াথপি লাগে। কড়ি কাঢ়ি নি হাতখন মুঠি মাৰি চুমা খালেই সেয়া তাইৰ ভাগৰ হৈ পৰে। প্ৰতিটো কড়িতে ৪ নম্বৰ থাকে। গাইপতি যিমান ধৰে সিমানেই নম্বৰ যোগ হয়। প্ৰথমে খেল কিমান সংখ্যাত শেষ হ'ব সেয়া নিৰ্ধাৰণ কৰি খেলা হয়। ধৰা হওঁক ৬০০ নম্বৰত খেল শেষ হ'ব। যিয়ে যিমান নম্বৰ পায় সেয়া হিচাপ কৰি যোৱা হয়। কড়িকেইটাৰ ৩টা ওপৰমুৰাকৈ পৰিলে একো নম্বৰ নাপায়।

এইদৰে ৩ বাৰ পৰিলে খেলখন আনজনীৰ হাতলৈ যায়। দুটা কড়ি ওপৰমুৰাকৈ পৰিলে, দুটা পিঠিফালে পৰিলে ওপৰমুৰাকৈ পৰাকেইটাক পিঠিফালে পৰাকেইটাৰ বুঢ়া আঙুলিৰ সহায়ত লগাব লাগে। প্ৰতি বাৰতে ৬ নম্বৰকৈ ল'ব পাৰি। আটাইকেইটা কড়ি পিঠিমুৰাকৈ পৰিলেও ৪ নম্বৰ পায় তেনেদৰেই নম্বৰ যোগ হৈ যিগৰাকীয়ে প্ৰথমে নিৰ্ধাৰিত নম্বৰ সংগ্ৰহ কৰিব পাৰিব তেওঁ জিকিব।

বছৰৰ যিকোনো সময়ত কড়ি খেল উপভোগ কৰাৰ লগতে বিশেষভাৱে বঙালী বিহুত কড়ি খেলি আনন্দ উপভোগ কৰা হয়। এই হিচাপে আমি কড়িক ৰং- আনন্দৰ খেল বুলিও আখ্যা দিব পাৰো। এই পৰম্পৰা ঠাই বিশেষে বৰ্তমানেও ধৰি ৰখা পৰিলক্ষিত হয়।



# বিহুসুৰীয়া গীত




**পুলু দত্ত**
শিৱসাগৰ

মৰম মৰম তোলৈ মৰম
কিয় লাগি যায়
চেনেহ চেনেহ তোলৈ চেনেহ
কিয় বাঢ়ি যায়
তইহে আজিও মোক
বুজি পোৱা নাই
তোক নিজৰ কৰিবলৈ
মোৰে মন যায়
মোৰ জীৱনৰ লগৰী
হ'বিনে তই নাই
সঁচাকৈ সুধিছো
মিছাকৈ নক'বি
মোলৈ মৰম আছেনে নাই
তোকহে মই বুজি পোৱা নাই।

তই গাঁৱৰ ৰূপহী
অ' ৰূপ ৰূপালী
তোৰে মৰমতে যাওঁ
সদায় পুৱা-গধূলি
তই গাঁৱৰে ধুনীয়া ছোৱালী।
মনৰে কথাবোৰ
তোকে কওঁ খুলি
এতিয়াহে কথাবোৰ
তই বুজি পালি
মোৰ যে আই-বোপাই নাই
সঁচাকৈ সুধিছো মিছাকৈ নক'বি
মোলৈ মৰম আছেনে নাই।

আইতাই মোক সুধিছে
ভাইটীয়েও শুনিছে
অহা ব'হাগৰ শেষতে
তোৰে বিয়া পাতিছে
কেনেকৈ মই পাহৰো
তোকে এৰিব নোৱাৰো
নেযাবি আঁতৰি
নকৰিবি তেনে ভুল
মৰমে নিবিচাৰে
তেনে জাতি-কূল
দিঠকে-সপোনে,জীৱনে-মৰণে
তোৰে ছবিটি বুকুতে সাবটি
আছো মই তোলৈ বাট চাই
সঁচাকৈ সুধিছোঁ মিছাকৈ নক'বি
মোলৈ মৰম আছেনে নাই

# ধৰ্ষিতা আৱেগ



**প্ৰবোধ চন্দ্ৰ মিশ্ৰ**
ঔপন্যাসিক ও প্ৰবন্ধকাৰ

লক্ষীমপুৰ জিলাৰ মাধৱদেৱৰ জন্ম স্থান লেটেকুপুখুৰীৰ পাৰতে হৰেশ্বৰৰ ঘৰ।অ' হৰেশ্বৰ বৰাৰ ঘৰ।আমাৰ ওচৰতে গতিকে আমাৰ বাবে হৰেশ্বৰ ককাই।ধেমাজিৰ সেই বানে গৰকা ঠাইৰ পৰা হৰেশ্বৰ ককাইৰ পৰিয়ালটোক শইকীয়া উপাধিৰ মানুহ জনে আজিৰ পৰা পঞ্চাশ বছৰ আগতে তুলি নানা হলে হৰেশ্বৰ ককাইৰ এতিয়া মানে হাড়ত বন গাজিলে হয়।সেয়ে দয়া শইকীয়া মানুহজন হৰেশ্বৰ ককাইৰ বাবে ভগৱানৰ লেখিয়া।ওচৰ চুবুৰীয়াৰ মুখত শুনো এই দয়া শইকীয়া মানুহজনৰ কথা।আচলতে মানুহজনৰ নামটো যেনে কামবোৰো তেনে। আনৰ দুখ সহিব নোৱাৰে। কেতিয়াবা হেনো নিজৰ আগত আহি পৰা বিভিন্ন ব্যঞ্জনৰ ভাতৰ কাঁহী খনো আনলৈ ঠেলি পঠিয়াই।এয়া অৱশ্যে হৰেশ্বৰ ককাইৰ মুখেৰেহে শুনা।ইয়াত মই দয়া শইকীয়াৰ কথা লিখিব খোজা নাই।লিখিব গৈছোঁ হৰেশ্বৰ ককাইৰ জীৱনৰ কিছু কথা।

ধেমাজি জিলাৰ সেই ভয়ানক দিনটোৰ কথা হৰেশ্বৰ ককাইৰ বাবে কলিজাৰ এক মচিব নোৱৰা স্মৃতি।ৰাতি তেতিয়া হয়তো বাৰৰ পৰা এক বাজিছে।যিহেতু হৰেশ্বৰ ককাইৰ ঘৰত সেই সময়ত ঘড়ীৰ ব্যৱস্থা নাছিল গতিকে সময়টোও এক আনুমানিক সময়।

চাৰিওফালে হুলস্থুল লাগি পৰিল-ঐ উঠ উঠ, সোঁৱণশিৰিৰ মথাউৰি ছিগো ছিগো।দুই এজনে চিঞৰি চিঞৰি সকলোকে কেঁচা টোপনিৰ পৰা জগাইছে। চাৰিওফালে পানীৰ হো হোৱনি। এনেই ভয়লগা পৰিৱেশ। তাতে চাৰিওফালে গৰুৰ হেম্বেলনি, ছাগলীৰ অসহায় বেবনি। কুকুৰ, শিয়ালৰ জীৱনলৈ নামি অহা সন্ত্ৰাসৰ বাবে সৃষ্টি হোৱা মাতবোৰে পৰিৱেশটো আৰু অধিক ভয়াবহ কৰি তুলিছিল।সকলোৱে জীৱনটো বচাবলৈ যেনিয়ে তেনিয়ে দৌৰিবলৈ আৰম্ভ কৰিছিল।সেই নিশাটো হৰেশ্বৰ ককাইৰ লগতে বহুতো পৰিয়ালৰ জীৱনলৈ কাল হৈ নামি আহিছিল।বহুতো পশুধন উটি গৈছিল।লগতে কেবাজনো নিৰুদ্দেশ হৈছিল।অৰ্থাৎ পানীয়ে উটুৱাই লৈ গৈছিল। কিন্তু ভাগ্যক্ৰমে হৰেশ্বৰ ককাইৰ পৰিয়ালটোৰ জীৱন কেইটা ৰক্ষা পৰিছিল।

এনেকৈ আঠ দহদিন মান চৰকাৰী শিবিৰত থকাৰ পাছত যেনিবা দয়া শইকীয়া নামৰ মানুহজনে হৰেশ্বৰ ককাই হঁতৰ পৰিয়ালটোক তেওঁৰ লেটেকুপুখুৰীত থকা নিজৰ ঘৰখনলৈ লৈ আহিছিল ।তেতিয়া হৰেশ্বৰ ককাইৰ বয়স হয়তো বাৰ তেৰ বছৰ।পিতাক আৰু ভনীয়েকৰ সৈতে পৰিয়ালটোত চাৰিজন মানুহ।সৌ সিদিনালৈ বাঢ়ৈ হিচাপে পৰিয়ালৰ ভৰণ পোষণ দিয়া হৰেশ্বৰ ককাইৰ পিতাকৰ সেই অসহায় মুখখন দেখি হৰেশ্বৰ ককাই বৰ অস্থিৰ হৈ পৰিছিল।কিন্তু কি হ'ব। হৰেশ্বৰ ককাইৰ দৰে সৰু ল'ৰা এজনৰ সেইবোৰ চাই থকাৰ বাহিৰে আন একো উপায় নাছিল।দুই এদিন দয়া শইকীয়াৰ জহতে খাই মেলি থাকিব লগা হৈছিল।কিন্তু সদায় জানো এনেকৈ চলিব! যিমান চহকী হলেও সদায় জানো কোনোবাই বহি বহি খুৱাব।তাতে আকৌ আত্ম সন্মান বোলা কথাষাৰো আছে নহয়।গতিকে এই সকলোবোৰ কথা ভাবি গুণি হৰেশ্বৰ ককাইৰ পিতাকে কামৰ সন্ধান আৰম্ভ কৰিলে। প্ৰথমতে সাধাৰণ কিছুমান কাম যেনে কোৰ মাৰা,খৰি লুৰি অনা ইত্যাদি ইত্যাদি।কিন্তু লাহে লাহে যেতিয়া মানুহবোৰে হৰেশ্বৰ ককাইৰ পিতাক এজন বাঢ়ৈ বুলি জানিব পাৰিছিল তেতিয়াৰ পৰাই যেন ককাই হঁতৰ পৰিয়ালটোলৈ কিছু আশাৰ ৰেঙনি আহিছিল। এনেকৈয়ে দিন বাগৰি গৈছিল ।

লাহে লাহে দুবেলা দুমুঠি খাই হৰেশ্বৰ ককাই সুঠাম ডেকা হৈ উঠিল।ইয়াৰ লগে লগেই হৰেশ্বৰ ককাইৰ ভনীয়েক জনীয়ো গাভৰু হৈ আহিল।অতি দেখনিয়াৰ হৰেশ্বৰ ককাইৰ ভনীয়েক ৰুমিতাই ইঘৰ সিঘৰৰ সহায়ত স্নাতক ডিগ্ৰী লাভ কৰিলে।কিন্তু হৰেশ্বৰ ককাইয়ে কিন্তু মেট্ৰিকৰ দেওনা খনো পাৰ কৰিব নোৱাৰিলে।দিন বোৰ গৈ থাকিল। ৰুমিতাৰ প্ৰেমত পৰিল এজন অতি ধনী ডেকা ল'ৰা।লগে লগেই যেন হৰেশ্বৰ ককাইৰ জীৱনলৈ আন এক দুৰ্যোগ নামি আহিল।

অনুপম বৰুৱা।পেছাত এজন ঠিকাদাৰ।অজস্ৰ সম্পত্তিৰ মালিক।এই অনুপম বৰুৱাৰে ল'ৰা অখিল বৰুৱা।অখিল বৰুৱা এজন অতি সৎ চৰিত্ৰৰ ল'ৰা।সংস্কাৰী ল'ৰা।গতিকে হৰেশ্বৰ ককাই বা হৰেশ্বৰ ককাইৰ দেউতাকে ৰুমিতাৰ প্ৰেমত বাধা দিয়াৰ প্ৰশ্ন নুঠে।কিন্তু কথাবোৰ ইমান সহজ হলে কথাই নাছিল।অখিল আৰু ৰুমিতাৰ প্ৰেমত প্ৰাচীৰ হৈ থিয় দিলে দেউতাক অনুপম বৰুৱাই।এজন ভিকহুৰ ছোৱালীক বোৱাৰী কৰি আনিবলৈ অনুপম বৰুৱা মুঠেই পক্ষপাতী নাছিল।অখিল সংস্কাৰী আছিল যদিও সাহসী নাছিল।দেউতাকৰ ওপৰত কথা এটাও কোৱাৰ সাহস অখিলৰ নাছিল।গতিকে ৰুমিতা আৰু অখিলৰ প্ৰেমে এক তিক্ততাপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰি থকা অৱস্থাতে এদিন হৰেশ্বৰ ককাইৰ পিতৃয়ে দুৰ্ঘটনা বশত মৃত্যুক সাৰটি ল'ব লগীয়া হৈছিল।সন্ধিয়া সময়ত ঘৰৰ পৰা নাতিদূৰত হৰেশ্বৰ ককাইৰ পিতৃৰ মৃত দেহ প্ৰত্যক্ষ কৰা হয়।এই মৃত্যুৰ ৰহস্য ভেদ কৰিব বহুত চেষ্টা কৰিও হৰেশ্বৰ ককাই বিফল হৈছিল। এতিয়া হৰেশ্বৰে কি কৰিব।নিজৰ ভনীয়েকৰ প্ৰেম আনফালে ভৰণ পোষণ।মানে দুয়োটাই চম্ভালিব লগা হোৱাটো হৰেশ্বৰ ককাইৰ বাবে এক সাংঘাতিক প্ৰত্যাহ্বান। কিন্তু সময় কেতিয়াবা নিষ্ঠুৰ আৰু কেতিয়াবা হৈ পৰে বৰ দয়ালু।সময় এক নিপুণ বাঢ়ৈ।সকলো ওখৰা মোখোৰাকে মসৃন কৰি লৈ যায়।

ৰুমিৰ পিতৃৰ মৃত্যুয়ে যেন অখিলৰ বিবেকক জগাই তুলিলে।অখিল হৈ পৰিল অনুপম বৰুৱাৰ ঘৰত এক প্ৰতিবাদী কণ্ঠ।দেউতাকৰ বাধা নামানি অখিলে ৰুমিতাক বিবাহ কৰাৰ বাবে প্ৰস্তুত হৈ পৰিল।কিন্তু কথাবোৰ তেতিয়াও ইমান সহজ নাছিল।অখিল সোমাই পৰিছিল ৰুমিতা আৰু হৰেশ্বৰৰ সন্দেহৰ বৃত্তত। গতিকে ৰুমিতা আৰু অখিলৰ মিলনৰ বাবে আন এক বাধা আহি পৰিল।শেষত অখিলো দৃঢ় প্ৰতিজ্ঞ হৈ পৰিল।ৰুমিতাক বিয়া কৰাবই।ৰুমিতা আৰু হৰেশ্বৰৰ সন্দেহৰ বৃত্তৰ পৰিধি ভাঙিবলৈ অখিলে পিতাকক ঘৰ এৰি গৈ পৃথককৈ থকাৰ প্ৰস্তাৱ দিলে।অনুপম বৰুৱাৰ মূৰত সৰগ ভাগি পৰাৰ লেখিয়া হ'ল।গতিকে সাতে পাঁচে বাৰক তেৰ নকৰি অনুপম শইকীয়াই ৰুমিতাক বোৱাৰী কৰিবলৈ মান্তি হ'ল।এইখিনিতে মই ভুমুকি মাৰিব খুজিছোঁ হৰেশ্বৰ ককাইৰ জীৱনলৈ।

ৰুমিতাৰ বিয়াৰ পাছত হৰেশ্বৰ ককাই বৰ অকলশৰীয়া হৈ পৰিল।পিতাকৰ নিপুণ হাতৰ পৰশত নিৰ্মীয়মান দুটা কোঠাৰ কাঠৰ ঘৰতোত আজি কালি নিস্তব্ধতা বিৰাজমান। হৰেশ্বৰ ককাইৰ গা বেয়া হলে এষাৰি মাত লগাবলৈও দ্বিতীয় প্ৰাণী এটা নাই।কেৱল নিস্তব্ধতা। হৰেশ্বৰ ককাইৰ এতিয়া অৱস্থা আগতকৈ ভাল।অন্তত কোনোবা এজনী মৰমী যদি হৰেশ্বৰ ককাইৰ জীৱনলৈ আহে তেন্তে সুখেৰে যে দুবেলা দুমুঠি খাবলৈ টান নহ'ব সেয়া ওচৰ চুবুৰীয়াও নিশ্চিত।পৰমপিতাইও বোধহয় সুন্দৰৰ সৃষ্টিৰ বাবে নিজৰ দুৱাৰ খন খুলি ৰাখে। সেই কথাকেই প্ৰতিপন্ন কৰিবলৈ পঠিয়াই দিলে সাদৰীক লেটেকুপুখুৰীলৈ।

সাদৰী শইকীয়া এজনী মৰম লগা ছোৱালী।বয়স প্ৰায় চৌব্বিশ বা খুব বেছি চাব্বিশ বছৰ।লেটেকুপুখুৰীৰ এঘৰ দুৰ সম্পৰ্কীয়ৰ ঘৰলৈ ফুৰিবলৈ আহিছিল।হঠাতে দেখা দেখি হৈছিল হৰেশ্বৰ ককাইৰ লগত ।দেখা দেখি হ'ল মানে দুই চকুৰ মিলন।সাজ পোছাকত বহুত ধনী যেন নালাগিলেও এটা কথা ঠিক হৰেশ্বৰ ককাইতকৈ ঘৰৰ অৱস্থা ভাল।ভাবিলে এনে লাগে -এইজনীও হৰেশ্বৰৰ প্ৰেমত পৰিব পাৰে নে!হয়,প্ৰেমত সকলো সম্ভৱ।বয়স, ধনী-দুখীয়া,সুৰূপ-কুৰূপ এই সকলোবোৰ যেন অৰ্থহীন। দুটি মন মিলিলেই হ'ল।সেয়ে হয়তো এজনী সৰু ছোৱালীক দেখিও ডিভাইন কমেডিৰ স্ৰষ্টা ডাণ্টে বিয়েট্ৰীছৰ প্ৰেমত পৰিছিল।

এজন সাধাৰণ কোনোমতে পেটে ভাতে খাই থকা হৰেশ্বৰৰ প্ৰেমৰ বন্দীশালত বন্দী হৈ পৰিল সাদৰী - লক্ষীমপুৰৰ মাজ মজিয়াৰ সাদৰী শইকীয়া।ইফালে হৰেশ্বৰ মহা বিমোৰত পৰিল।সাৰদীৰ ঘৰৰ আৰ্থিক অৱস্থা হৰেশ্বৰতকৈ বহুত ভাল নহলেও ভাল।হৰেশ্বৰৰ মনত এটাই মাথো প্ৰশ্ন বিয়া কৰোৱাৰ পিছত আৰ্থিক অৱস্থাটোকলৈ যদি সিহঁতৰ পাৰিবাৰিক অশান্তি নামি আহে।সেই সূত্ৰে যদি তাই আকৌ আন কাৰোবাক ভাল পাবলৈ লয়।যদি সিহঁতৰ বিবাহ বিচ্ছেদ হোৱাৰ উপক্ৰম হয়।তেন্তে সকলোৱে তাকেই দুষিব।তেওঁৰ ইমান দিন অৰ্জন কৰা সন্মানখিনি হেৰাই যাব।সমাজত সি মূৰ তুলি কথা ক'ব নোৱাৰিব।এই কথাবোৰ ভাবি ভাবি হৰেশ্বৰে এদিন সাদৰীক অকলশৰীয়াকৈ লগ কৰাৰ মানস কৰিলে।এজন বন্ধুৰ সৈতে হৰেশ্বৰ এদিন সাদৰীৰ ঘৰ ওলালগৈ।

লক্ষীমপুৰ চহৰৰ পৰা অলপ দূৰৈত লীলাবাৰী পোৱাৰ প্ৰায় এক কিলোমিটাৰ মান আগতে সাদৰী হতঁৰ ঘৰ।সাধাৰণ এটা আসাম টাইপৰ ঘৰ।দেউতাক খেতিয়ক।চাৰিজনী ছোৱালীৰ সৈতে এখন সুখৰ সংসাৰ।সাদৰী দ্বিতীয় গৰাকী ছোৱালী।প্ৰথম গৰাকীৰ বিবাহ হোৱা নাই।এয়া আন এক সমস্যা আহি পৰিল সাদৰী আৰু হৰেশ্বৰৰ বিবাহৰ ক্ষেত্ৰত। প্ৰথম গৰাকীক উলিয়াই নিদি দ্বিতীয় জনীক উলিয়াই দিয়াটো একো ডাঙৰ কথা নহয়।কিন্তু আমাৰ সমাজ! পিছলৈ মুখে মুখে ওলাব ডাঙৰজনীৰ নিশ্চয় কিবা দোষ আছে।নহলেনো ডাঙৰজনীক বিয়া নিদিয়াকৈ সৰু জনীক দিয়ে নে?এয়াই আমাৰ সমাজ!সমাজৰ সস্তীয়া চিন্তা ধাৰা।

বন্ধুক সন্মুখত লৈয়ে হৰেশ্বৰে সাদৰীক কলে -মোৰ কিন্তু একো নাই।ঘৰটো যি দেখিছা সেয়ে।কিন্তুএটা কথা ঠিক লঘোণে থাকিব নিদিওঁ।উত্তৰত সাদৰীয়ে কৈছিল - মই জানো। আপোনাৰ আৰু কিবা ক'ব লগা আছে নেকি? হৰেশ্বৰৰ উত্তৰ - নাই।কিন্তু মোৰ এই সংসাৰ পৰ্বটো বৰ ভয় লাগে।এই আৰ্থিক অৱস্থাটোৰ বাবে যদি আমাৰ..... । কথাখিনি শেষ কৰিব নিদি সাদৰীয়ে কৈ উঠিল - মই আপোনাক জানো।মই আপোনাৰ সততাক জানো।মই আপোনাৰ আত্ম সন্তানৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছোঁ।কিন্তু এটা কথা ঠিক মই আপোনাৰ কাত্যায়নী হ'ব নোৱাৰিলেও মৈত্ৰেয়ী হ'বলৈ চেষ্টা কৰিম।মোৰ পাৰ্থিৱ বস্তুৰ বাবে আপোনাৰ লগত সম্পৰ্ক গঢ়িব বিচৰা নাই।আপোনাৰ নিষ্কলুষ মনটোৰ বাবেহে সম্পৰ্ক গঢ়িব বিচাৰিছোঁ।বাকী আপোনাৰ কথা। মই পিতাক পঠিয়াই দিওঁ ৰ'ব। আপোনালোক বহক।মই জলপানৰ ব্যৱস্থা কৰোঁ।

সমাজে কি ক'ব বা কি ভাবিব এই সকলোবোৰ কথা পিছ কৰি থৈ সাদৰীক পিতাকে হৰেশ্বৰৰ হাতত গতাই দিলে। সাদৰী আৰু হৰেশ্বৰ ককাইৰ যুগ্ম জীৱনৰ আৰম্ভনি হ'ল। সংসাৰখন সুকলমে চলি থাকিল।দুবছৰ পিছত সিহঁতৰ জীৱনলৈ আহিল ঋষভ। সংসাৰ চলি থাকিল কোনোৰকমে।সাদৰীয়ে যেন শান্তিক নিজৰ পৰিয়াললৈ নিমন্ত্ৰণ কৰি সাদৰে আপ্যায়ন কৰিবলৈ সক্ষম হ'ল।সংসাৰ যাত্ৰাৰ ষোল্ল সোতৰ বছৰ পাৰ হ'ল।সাদৰী হঁতৰ পৰিয়াললৈ ইতিমধ্যে আহিল আকৌ দুজনী কন্যা সন্তান।কিন্তু পিতাকে কাঠেৰে বান্ধিথৈ যোৱা ঘৰটোৰ বিশেষ একো সলনি নহ'ল। কেৱল বেৰ কেইখনত নতুন ৰঙৰ প্ৰলেপ মাজে মাজে সানি যোৱা হ'ল।পচি যোৱা কাঠবোৰ মাজে মাজে সলনি কৰি থকা হ'ল। সাদৰীয়েও কোনো দিনেই পুৰণি ঘৰটোৰ ঠাইত নতুনকৈ ঘৰ এটা সাজিবলৈ হৰেশ্বৰক কোৱা নাছিল আৰু কোৱাৰ প্ৰয়োজন বোধো কৰা নাছিল

।সাদৰীয়ে জানে এই কাঠৰ টুকুৰাবোৰত তেওঁৰ স্বামীৰ কপালৰ ঘাম জড়িত হৈ আছে।তেওঁৰ শহুৰৰ কপালৰ ঘাম জড়িত হৈ আছে।

ইফালে ঋষভ যিমানেই ডাঙৰ হৈ আহিল হৰেশ্বৰৰ ঘৰৰ পৰিবেশটো যেন অলপ বেলেগ হ'বলৈ লৈছিল।সন্মুখতে পৰি থকা অকনমান মাটিত আগতে শাক পাচলিৰ খেতি আছিল।লাহে লাহে তাত এখন ফুলনিৰ জন্ম হ'ল।জন্ম হ'ল মানে ঋষভৰ ভাল লগা বস্তুবোৰ দেউতাকে গুৰুত্ব দিয়া হ'ল। একেটা ল'ৰা।গতিকে গুৰুত্ব দিবই দিয়কচোন।সন্মুখৰ অলপ বয়সীয়া তামোল গছ বোৰৰো আয়ুস কমি আহিল।এইবোৰ কিন্তু হৰেশ্বৰে পুত্ৰ ঋষভৰ বাবেই কৰি গ'ল।কিন্তু সাদৰী? সাদৰীয়ে কেৱল গান্ধাৰীৰ দৰেই পত্নীৰ ধৰ্ম পালন কৰি গ'ল। এনেকৈ নহ'ব লগীয়া ঘটনাবোৰ পূৰ্ণিমাৰ জোনটিৰ দৰে বাঢ়ি যায় আৰু হ'ব লগীয়া ঘটনা সমূহ জোনটোৰ দৰে অমাৱস্যাৰ ৰাতিৰ দিশে আগবাঢ়ি যায়।ছোৱালী দুজনী সৰু।গতিকে সিহঁতে এইবোৰৰ কথা দকৈ ভবাৰ গুৰুত্ব উপলব্ধি কৰা নাই। এনেদৰেই আগবাঢ়ি গ'ল হৰেশ্বৰ ককাইৰ সংসাৰ।

ঋষভে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে।উচ্চাকাংক্ষী ঋষভৰ চাকৰিও হ'ল।ঋষভ এতিয়া অসম চৰকাৰৰ যোগান বিভাগৰ বিষয়া।গতিকে এতিয়া তেওঁ এজন সমাজত ডাঙৰ মানুহ। ঋষভে এতিয়া হৰেশ্বৰৰ পুত্ৰ হিচাপে পৰিচয় দিবলৈ লাজ পায়।লাজ পাবই দিয়কচোন।এজন কাঠমিস্ত্ৰীৰ ল'ৰা বুলি কেনেকৈনো পৰিচয় দিয়ে বাৰু এজন যোগান বিভাগৰ বিষয়াই।টকাই টকা।এই টকাবোৰ এতিয়া বাৰু ঋষভে কি কৰে।গতিকে এটা প্ৰাসাদোপম অট্টালিকা নিৰ্মাণৰ বাবে ঋষভে মন মেলিলে। গতিকে ভবা মতেই কাম।এদিন দেউতাকক কথাটো কলে-দেউতা এই ঘৰটোৰ বয়স বহুত হ'ল।গতিকে এইটো ৰাখি লাভ নাই।ইয়াৰ ঠাইত এটা নতুনকৈ ঘৰ সাজিম।এতিয়াৰে পৰা তুমি আৰু কামলৈ যাব নালাগে। ওচৰতে এটা ভাড়া ঘৰ ঠিক কৰিছোঁ।যেতিয়ালৈ নতুন ঘৰটো নহয় তেতিয়ালৈকে তোমালোক তাতেই থাকিবা।কথা শুনি হৰেশ্বৰ বোবাৰ দৰে হৈ পৰিল।মাথোঁ কলে - বুঢ়া হলে সকলোবোৰ সলনি জানো কৰিব পাৰি?তোৰ মাৰাও বুঢ়ী হ'ল।ময়তো হলোৱেই।সাদৰীৰ চকুৰে চকুলো বৈ আহিল। কোনোৱে নেদেখাকৈ সেউজীয়া পাৰীৰ আঁচলেৰে সাদৰীয়ে চকু পানী খিনি মচি ললে।

তিনিদিন পিছত ৰাতিপুৱাই হৰেশ্বৰ হঁতৰ ঘৰত বস্তু বাহানি বন্ধাৰ আয়োজন চলিল।ভাড়াঘৰলৈ যোৱাৰ প্ৰস্তুতি।বস্তু বাহানি বুলি বিশেষ নাই। অৱশ্যে ঋষভৰ কিছুমান মূল্যবান সামগ্ৰী আছে।যি কি নহওক ঘৰ বুলি কলেতো পিন্ধা সাজপাৰ,ৰন্ধা বঢ়া কৰিবলৈ লোৰ পুৰণি কেৰাহীটো, বহিবলৈ মূঢ়া ইত্যাদি ইত্যাদি থাকেই ।

নতুন ভাড়া ঘৰ।দুটা কোঠা ঋষভৰ বাবে।বাকী তিনিটা কোঠা চাৰিটা প্ৰাণীৰ বাবে। আচলতে এই চাৰিটা কোঠাৰ আৱশ্যক নহ'ব যদিহে নতুনকৈ আকৌ সামগ্ৰী অনা নহয়।

হৰেশ্বৰ ককাই কামলৈ আৰু যাব নালাগে।আৰ্থিক ভাৱে তেওঁ পুত্ৰ যথেষ্ট সবল।গতিকে কামলৈ যাব নালাগে বুলি পুতেকে দিয়া আদেশটো হৰেশ্বৰ ককাইয়ে অনিচ্ছা স্বত্বেও মানিবই লাগিব।

দুদিন পাৰ হৈ গ'ল।সেইদিনা শনিবাৰ।ৰাতিপুৱা হৰেশ্বৰে পুৰণি ঘৰটো চাবলৈ আগবাঢ়ি গ'ল।পথৰ কাষত থিয় হৈ হৰেশ্বৰে দেখা পালে এখন ডাঙৰ বুলডোজাৰে হৰেশ্বৰ ককাইৰ ঘৰটোত প্ৰথম হাতোৰাটো মাৰিলে।হৰেশ্বৰ ককাইয়ে বাধা দিবলৈ দৌৰি গ'ল।অসাৱধানতাৰ বাবে সেউজীয়া নোদোকা দুবৰিত পিছল খাই হৰেশ্বৰ ককাই পৰি গ'ল।

হৰেশ্বৰ ককাইয়ে নিজে উঠিব পৰা নাই।দুজন বাটৰুৱাই দৌৰি গৈ হৰেশ্বৰ ককাইক প্ৰায় ডাংকোলাকৈ ভাড়া ঘৰটোলৈ লৈ গ'ল।হৰেশ্বৰ ককাইয়ে কিবা এটা কওঁ বুলিও ক'ব পৰা নাই। বহু চেষ্টা কৰিও বিফল হ'ল।লগে লগে হৰেশ্বৰে কিবা কিবি অঙ্গী ভঙ্গী দেখুৱাবলৈ ধৰিলে।ততাতৈয়াকৈ হৰেশ্বৰ ককাইক ওচৰ চুবুৰীয়া দুজনে ভাড়াঘৰৰ মালিকৰ গাড়ী খনেৰে লক্ষীমপুৰ চিকিৎসা মহাবিদ্যালয়লৈ লৈ গ'ল।কেবাটাও দিন লক্ষীমপুৰ চিকিৎসা মহাবিদ্যালয়ত থকাৰ পাছত হৰেশ্বৰ ককাইক ঘৰলৈ লৈ অহা হ'ল।

এতিয়া হৰেশ্বৰ ককাই কেৱল বিচনাত পৰি থাকে।শৰীৰৰ সোঁফালটো সম্পূৰ্ণৰূপে অকামিলা হৈ পৰিল।মুখেৰে কিবা কৈ থাকিলেও মাতটো ওলাই নাহে।হৰেশ্বৰ ককাই বোবা হৈ পৰিল।হৰেশ্বৰ ককাইৰ আৱেগক কোনোবাই হত্যা কৰিলে নেকি? নে হৰেশ্বৰ ককাইৰ ছন্দোবদ্ধ জীৱনৰ পৰিসমাপ্তিৰ আগজাননী।ইয়াৰ উত্তৰ পাঠক সমাজৰ বাবে এৰিলো।

# ভালপাও বুলি নকবা.... বুকুখন গলি গলি নৈ হৈ ব'ব।



গায়ত্ৰী চক্ৰবৰ্তী

"ক'ত পালি তই?"
"ক'ত পালোঁ মই?"
"ধেই...ধেমালি এৰচোন।অৰুণাভক ক'ত লগ পালি কচোন।"

নয়না,মঞ্জুলা,অনিন্দিতা আৰু কুঁৱলীৰ বন্ধুত্ব স্কুলীয়া দিনৰ পৰাই। অভিন্ন এই চাৰিজনী ছোৱালী। সুকীয়া পৃথিবী তাহাঁতৰ। নয়না,মঞ্জুলা আৰু কুঁৱলীয়ে গৃহ চহৰতেই পঢ়িলে।অনিন্দিতা ওলাই গল বাহিৰলৈ।সেই অনিন্দিতাই কুঁৱলীক সুধিলে ক'ত পালি তই প্ৰশ্নটো।ফোনত নজনায়। লগ পালেহে ক'ব।বাকী তিনিজনীৰ আলোচনা।ৰসায়ন বিজ্ঞান বিষয়ত স্নাতকোত্তৰ কুঁৱলীয়ে জীৱনক সাফল্যৰ গণ্ডীত ভাগ ভাগ কৈ সজাই লৈ আগবাঢ়ি যোৱাৰ হিচাপটো সঠিক সময়তে সমাপন হৈছিল। সেই গণ্ডীৰ কোনোবা এটা খাজত ভালপোৱা নামৰ অনুভৱটো আছিল জানো! ভবাই নহ'ল।আৰু এতিয়া...সাধাৰণভাৱেই ঘটি গ'ল ভালপোৱা নামৰ অসাধাৰণ কথাটো।পিতৃহীনা দুজনী ছোৱালীক নিজৰ সামান্য বেতনেৰে পঢ়াই শুনাই উপযুক্ত কৰি তোলাৰ ক্ৰুটি নৰখা মাকজনীৰ, পোহৰ পোহৰ মুখখনে কুঁৱলী আৰু ভনীয়েক প্ৰতিমাৰ মুখ দুখনো পোহৰ কৰি ৰাখে।মাকৰ কষ্ট লাঘৱ কৰাৰ উদ্দেশ্যে টিউচন কৰি কুঁৱলীয়ে নিজৰ যাবতীয় খৰচ উলিয়াই।

"ঐ কুঁৱলী মোৰ জেঠাইৰ ল'ৰা অৰুণাভ দা আৰু তোক বৰ ধুনীয়াকৈ মিলিব অ।বৌ হ'বি নেকি।" এয়াই আৰম্ভণি আছিল। নয়নাই মাজে মধ্যে এনেকে জোকাই থকা কথাটোৱে কুঁৱলীৰ অন্তৰত লাহে লাহে শিপাই গৈ থাকিল। আৰু অৰুণাভৰ...সেই একেখিনি কথাকে অৰুণাভেও শুনি থাকিল ভনীয়েক নয়নাৰ মুখে।নেদেখাকৈ,নজনাকৈ নামহীন অনুভৱ এটাই দুয়োকে কদাচিত আচ্ছন্ন কৰি তুলিছিল।

কুঁৱলীৰ অৰুণাভৰ লগত পৰিচয় হ'ল নয়নাৰ বায়েকৰ বিয়া উপলক্ষে।পৰিচয় হওঁতে ধুপকৈ কিহে জানো খুন্দিয়াইছিল। কথাবোৰ যেন নিজে নিজেই আগবাঢ়ি গৈ আছিল। বিয়াঘৰত দুযোৰ চকুৱে এজনে আনজনক বিচাৰি ফুৰিছিল। ভালপোৱা এনেকৈয়ে হয় জানো!হ'ব পাৰে।ই যে এটি দেওলগা কথা। আয়ত্বৰ বাহিৰৰ কথা।

এপাকত সিহঁত দুয়োটা ওলাই গৈছিল। ৰঙাকৈ ফুলবোৰে ছাটি ধৰা কৃষ্ণচূড়া জোপাৰ তলত সিহঁতহাল বহি পৰিছিল। কি কথা পাতিছিল কুঁৱলীয়ে।ঘৰৰ কথা,মাকৰ কষ্টৰ কথা,ভনীয়েকৰ কথা আৰু যে বেবেৰিবাং কিছু কথা।কিয়? দুৰু দুৰুকৈ কপি থকা মনটোৱে কি ভাবি কি কৈ আছিল জানো! নয়নাৰ মুখত সকলোবোৰ কথা জনা অৰুণাভে এপাকত কৈ উঠিছিল---- "ভালপাও তোমাক কুঁৱলী।"

ঠিক...ঠিক সেই মূৰ্হুত্বত কুঁৱলী যেন শিল হৈ পৰিছিল। কলিজাৰ স্পন্দন নিজৰেই কাণত বাজি উঠিছিল। ৰঙচুৱা মুখখন লৈ কুঁৱলী খৰখেদাকৈ উঠি আহিছিল অৰুণাভৰ কাষৰ পৰা।অৰুণাভৰ চকুত চকু থৈ তাঁলৈ এৰি থৈ গৈছিল একুঁকি হৃদয়ভৰা হেঁপাহ। তাইক অহৰহ খুন্দিয়াই থাকিল এটি প্ৰাপ্তিৰ অনুভৱে।অৰুণাভ কুঁৱলীৰ হৈ যোৱাৰ প্ৰাপ্তি।বিদায়ৰ পৰত নয়নাৰ হাতত অৰুণাভলৈ বুলি কাগজ এখিলা পঠিয়াইছিল।য'ত লিখা আছিল হৃদয়ৰ সমস্ত ভালপোৱা সামৰি লিখা মাথোঁ এষাৰি বাক্য। অৰুণাভৰ কলিজাত কুঁৱলী নামে এজনী ছোৱালীয়ে নিগাজিকৈ বহি ৰোৱাৰ প্ৰতিশ্ৰুতিৰ বাক্য। উভটি গৈছিল অৰুণাভ,উভটি আহিছিল কুঁৱলী।

"বুজিলি?"
"বুজিলোঁ আই হেৰৌ তহঁতৰ প্ৰেম কাহিনী।এতিয়া পিচে কি কৰিবি?"
"এতিয়াও একো ভবা নাই। মোৰ কৰিবলগীয়া কামবোৰ কৰি লওঁ।তাৰপাছত দুয়োখন ঘৰত জনাই কথাবোৰ আগবাঢ়িব।"

বিপৰীতমুখী দুখন চহৰৰ দুৰত্বত দুয়োৰে দিনবোৰ পাৰ হয় শাব্দিক প্ৰকাশেৰে।কদাচিত দেখাদেখি হোৱা দুয়োৰে ফোনটোৱে একমাত্ৰ কাৰক হৈ পৰে সম্পৰ্কটো আগুৱাই লৈ যোৱাৰ। সময়বোৰ দিন ৰাতিৰ ফাঁকেৰে সৰি গৈ থাকে।

গৱেষণাৰ বাবে সন্মতি পোৱা কুঁৰলীয়ে অৰুণাভক খবৰটো জনাবলৈ ফোনটো হাতত তুলি লৈছিল মাত্ৰ,,নয়নাৰ ফোন আহিল।

"কুঁৰলী কি কৰিছ।"
"অৰুণাভক ফোন কৰিব ওলাইছিলোঁ অ।মোৰ ভাল খবৰ এটা আছে।আগতে তাক জনাও ৰহ।"
"শুনচোন, তোক কথা এটা কওঁ।অস্হিৰ নহবি মাত্ৰ। "
"কি কব খুজিছ?তেনেকে কলি যে।নহও দে অস্হিৰ।ক চোন। "
."........"
"ক আকৌ"
"কালি অৰুণাভ দা অফিচৰ পৰা আহি থাকোঁতে ৰাস্তাত ট্ৰাক এখনে বাইকসহ খুন্দিয়াই থৈ গল। সি এতিয়া হাস্পতালত ভৰ্তি হৈ আছে।দাদা গৈছে খবৰ ল'বলৈ। কুঁৰলী......কুঁৰলী...মুখেৰে নামাত কিয় তই। "

স্তব্ধ হৈ পৰিল কুঁৰলী।উশাহবোৰ যেন কিহবাই চেপি-কুঁচি আনিলে।কলিজাত এছটা শিল ধহ্ মহকৈ পৰি দম বন্ধ হোৱাৰ উপক্ৰম হ'ল।এতিয়াই যেন দৌৰি অৰুণাভৰ কাষ পাব...কুঁৰলী গোঁসাই ঘৰলৈ দৌৰ মাৰিলে।

ৰাতিপুৱাই মঞ্জুলা,নয়না আৰু অনিন্দিতা কুঁৰলীহঁতৰ ঘৰলৈ আহিল। তিনিওজনীয়ে মাকৰ অনুমতি লৈ তাইক লৈ ওলাই গল। বন্ধুত্বৰ এনাজৰীডালেৰে কপ্ কপীয়াকৈ কুঁৰলীক সামৰি ৰাখিবলৈ,বিধ্বস্ত হ'ব দিব নোৱাৰাকৈ। এটুকুৰা এনেকুৰা স্হান হওক য'ত তাই কান্দিব পাৰিব।বুকুৰ ভঙা-ছিঙাবোৰ উলিয়াই চিঞৰি চিঞৰি কান্দিবৰ পাৰিব। কাৰণ....কাৰণ অৰুণাভ যে নাই।

সি যে একেবাৰে আঁতৰি গল কুঁৰলীৰ জীৱনৰ পৰা।তাইৰ ভালপোৱাৰ পৰিধি চেৰাই সি যে বিলীন হৈ গ'ল শূন্যত...নেদেখা নজনা অচিন ৰাজ্যত।অহৰহ বুকুত কঢ়িয়াই ফুৰা কুঁৰলীক শেষবাৰৰ বাবে চাব বিচৰা অৰুণাভে ৰিক্ত মনটোৰে উভটি গ'ল কৰবালৈ...হয়তো মহাশূন্যলৈ।

"তোমাৰ চিতাৰ জুইত
মইও জ্বলাই দিলোঁ
মোৰ কলিজাৰ অৱশিষ্ট, অৰুণাভ
তুমি ৰৈ থাকিবা
মইও উভটি যাম
বিলীন হ'ম দুয়ো ভালপোৱাৰ সীমনাত।"

ঠিক সেই মূহুৰ্ত্তত সিদ্ধান্ত হৈ গ'ল অৰুণাভে দি যোৱা মৰমবোৰ আজীৱন কঢ়িয়াই ফুৰিবলৈ।কোনেও নাজানিলে,কোনেও নজনাকৈ।

আৰু সেই তেতিয়াই পুত্ৰশোকত মৃতপ্ৰায় মাতৃ এগৰাকীয়ে দুৰ্ঘটনাৰ দিনা পিন্ধি থকা পুত্ৰৰ চোলাটোৰ জেপত বিচাৰি পালে এখিলা কাগজ।হেঁপাহৰ সেই কাগজখিলা.....য'ত কুঁৰলীয়ে লিখিছিল অৰুণাভলৈ বুলি-----

"ভালপাও বুলি নকবা অৰুণাভ....বুকুখন গলি গলি নৈ হৈ বব।"

# ব'হাগৰ ঐতিহ্য বিচাৰি



চন্দন চক্ৰৱৰ্ত্তী

বিহু হ'ল মূলতঃ ঋতু সংশ্লিষ্ট কৃষি উৎসৱ। অসমীয়া তিনিওটা বিহুৰ লগত কৃষি বিজড়িত তিনিটা সময়ৰ সম্পৰ্ক আছে। 'বিহু' শব্দটোৰ লগত সংস্কৃত 'বিষুৱণ' শব্দটোৰ সম্পৰ্ক থকাবুলি ভবা হয়। অথৰ্ব বেদ আৰু ঐতৰেয় ব্ৰাহ্মণ আদি পুৰণি শাস্ত্ৰৰ মতে 'বিষুৱণ' যাগ-যজ্ঞ কৰা এটা দিনৰ নাম। এই যাগ-যজ্ঞই সূৰ্য্যৰ গতি নিয়ন্ত্ৰণ কৰি শস্যৰ বীজ গজাত সহায় কৰে। সেই ফালৰ পৰা বিহুৰ লগত এক ভৌগোলিক পৰিঘটনাৰো সম্পৰ্ক আছে।

বিহুৰ লগত প্ৰকৃতিৰ সম্পৰ্ক অতি গভীৰ। সেয়ে বিহু উৎসৱক প্ৰকৃতি উপাসনাৰে নামান্তৰ বুলিব পাৰি। কেৱল অসমতে নহয়, ভাৰতৰ বিভিন্ন ঠাইৰ লগতে চীন, মালয় থাইলেণ্ড আদি পৃথিৱীৰ অন্যান্য প্ৰান্ততো বসন্ত উৎসৱৰ পয়োভৰ দেখিবলৈ পোৱা যায়।

বিহুৰ ঐতিহ্য অতি প্ৰাচীন। আদিম কৃষিজীৱি মানুহে শইচৰ শ্ৰীবৃদ্ধি কামনা কৰি নৃত্য কৰিছিল; গীত গাইছিল। ঠিক তেনেকৈয়ে হয়তো বিহুৰ প্ৰচলন হ'ল। স্ত্ৰী-পুৰুষৰ আনুষ্ঠানিক মিলন আৰু নৃত্য-গীতো পৃথিৱীৰ উৰ্বৰা শক্তি বঢ়াবৰ এক প্ৰাচীন ব্যৱস্থা। বিহুনাচত যৌন মিলনৰ ইংগিত থকা যি মুদ্ৰা লক্ষ্য কৰিব পাৰি সি এই প্ৰাচীন উৰ্বৰা অনুষ্ঠানৰ কথাকে মনলৈ আনে। সেয়ে ব'হাগ বিহুৰ উৰ্বৰতা বা প্ৰচলন উৎসৱো বুলিব পাৰি।

ব'হাগ বা ৰঙালী বিহু হ'ল বসন্তকালীন উৎসৱ। এই সময়ত প্ৰকৃতিয়ে সজীৱ সপ্ৰাণ ৰূপ পায়। গছ-বনে আহে কুঁহি কোমল পাতৰ আৱৰণ। মানুহৰ মনলৈকো আহে সৃষ্টিৰ উন্মাদনা। সেয়ে গীত-নাচ- বাদ্যেৰে মানুহে নিজৰ মনৰ ভাব প্ৰকাশ কৰে। ঢোল-পেঁপা টকা-গগণাৰ সুৰত গোৱা জাত জাত বিহুনামে ৰজনজনাই তোলে সমগ্ৰ লুইতৰ দুয়োপাৰ- শদিয়াৰ পৰা ধুবুৰীলৈকে। মেদিনী কঁপাই বিহুনাচ নাচি ডেকা-গাভৰুয়ে সৃষ্টিৰ অংকুৰ সিঁচে।

ব'হাগ বিহুত পালন কৰা লোকাচাৰ (Customs) সমূহৰ ভিতৰত প্ৰথমদিনা মাখিয়তি, দীঘলতি আদিৰে কোবাই গৰুক ওচৰৰ নৈ-বিল-পুখুৰীত গা ধোৱোৱা হয়। মাহ হালধীৰে নোৱোৱা হয়। লাউ-বেঙেনা আদি খাবলৈ দিয়া হয়। সন্ধ্যা গোহালিত জাগ দি ন-পঘাৰে গৰুক বন্ধা হয়। গৰু-গাইৰ শ্ৰী বৃদ্ধি কামনা কৰা হয় বাবে সিদিনাক গৰু বিহু বোলে।

ৰঙালী বিহু শেষ চ'তৰ পৰা একেৰাহে সাতদিন ধৰি পালন কৰা হয়। দ্বিতীয় দিনটো হ'ল. মানুহ বিহু। সিদিনা বছৰটোৰ প্ৰথম দিন। সিদিনা কনিষ্ঠই জেষ্ঠ্যজনক সেৱা ভক্তি কৰি শ্ৰদ্ধা আৰু আশীৰ্বাদ বিনিময় কৰে। এই বিহুত 'হেপাহৰ আঁচুফুল বচা' 'সপোন ফুলেৰে ফুলাম' বিহুৱানৰ গুৰুত্ব সৰ্বাধিক। বিহুৱান প্ৰদান আৰু গ্ৰহণেৰে শ্ৰদ্ধা-স্নেহৰ বিনিময় কৰা হয়।

ব'হাগ বিহুক অধিক বৰ্ণময় আৰু নান্দনিক মাধুৰ্য দান কৰিছে বিহুগীতসমূহে। বিহুগীতসমূহক দুটা ভাগত ভগাব পাৰি- হুচৰীগীত বা বিহুনীত আৰু বনঘোষা বা বনগীত। হুচৰী গীত বা বিহুগীত আৰু বনঘোষা বা বনগীত। হুচৰীসমূহ মূলতঃ আশীৰ্বাদসূচক আৰু এইবোৰত কিছু পৰিমাণে ধৰ্মীয় চিটিকনি পৰিছে। আনহাতে বনগীতসমূহ হ'ল যৌৱনৰ গীত। এইবোৰ হ'ল প্ৰেমৰ বেদীক প্ৰাণৰ আকুতিৰ প্ৰকাশ। বসন্ত ঋতুৰ মন উম্যনা কৰা বতৰত স্বাভাৱিকতে ডেকা-গাভৰুয়ে সপোন দেখে যুৱীয়া জীৱনৰ। প্ৰেমৰ প্ৰকাশেই হ'ল বিহুগীতৰ কেন্দ্ৰীয় বিষয়। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে বিহুগীত সম্পৰ্কত দিয়া মন্তব্যটোৰে কিজানি সৰ্বাধিক মনোগ্ৰাহী "প্ৰেমৰ কবিতা হিচাপে বিহুগীত পৃথিৱীৰ পুৰণি নতুন - প্ৰাচীন গ্ৰীকৰ পৰা বৰ্তমান যুগৰ শ্বেলি-হাইনেলৈ যি কোনো প্ৰেম কবিতাৰ ওচৰে ওচৰে যায়। আন্তৰিকতা, অনুভৱৰ গাম্ভীৰ্য্য, বিশ্বাত্মবোধ (Cosmic feeling), উচ্চস্তৰৰ কল্পনা, সৌন্দৰ্যবোধ, অনুপম প্ৰতীকৰ প্ৰয়োগ, প্ৰকাশ-ভংগীমাৰ সংযম- আটাইবিলাকৰ চানেকি দুই-চাৰি বিহুগীতত পায়।

বিহু হ'ল সমন্বয়ৰ উৎসৰ। জাতি ধৰ্মৰ ভেদা-ভেদ পাহৰি অসমীয়াই বিহুত পৰম্পৰে আপোন ভাবেৰে সাবটি লয়। গতিকে আমাৰ জাতীয় সমন্বয় গঢ়াতো বিহুৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

১। ড° প্ৰফুল্ল দত্ত গোস্বামীৰ- 'ব'হাগ বিহুৰ পৰম্পৰা : শীৰ্ষক প্ৰবন্ধ।
২। অসমীয়া জন সাহিত্য- ড° প্ৰফুল্ল দত্ত গোস্বামী।
৩। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত- ড° সত্যেন্দ্ৰ নাথ শৰ্মা



# পৰম্পৰাগত অসমীয়া ব্যঞ্জন



**প্ৰাজ্জল বাৰ্মা**
Instagram - moi_axomiya

ৰঙালী বিহু অথবা ব'হাগ বিহু প্ৰতি বছৰে এপ্ৰিল মাহত পালন কৰা অসমীয়াৰ নৱবৰ্ষ আৰু শস্য চপোৱা উৎসৱ। ইয়াৰ দ্বাৰা বসন্তৰ আগমন আৰু কৃষি চক্ৰৰ আৰম্ভ হয়। ব'হাগ বিহুৰ বৈশিষ্ট হৈছে সাংস্কৃতিক অনুষ্ঠান, সংগীত আৰু পৰম্পৰাগত খাদ্য ।

**ৰঙালী বিহুৰ সময়ত পৰিৱেশন কৰা পৰম্পৰাগত অসমীয়া ব্যঞ্জন**

**পিঠা**

ৰঙালী বিহুৰ সময়ত আটাইতকৈ বিশিষ্ট খাদ্য হ'ল পিঠা । কিছুমান জনপ্ৰিয় পিঠাৰ ভিতৰত আছেঃ

**তিল পিঠাঃ** তিল আৰু গুড়েৰে তৈয়াৰী পিঠা।

**নাৰিকল পিঠাঃ** কুটি লোৱা নাৰিকল আৰু গুৰেৰে তৈয়াৰী এই পিঠা শিশুৰ বৰ প্ৰিয়।

**লাৰুঃ** কুটি লোৱা নাৰিকল, গুড়, আৰু কেতিয়াবা তিলৰ গুটিৰে তৈয়াৰী মিঠা ব্যঞ্জন।

অসমীয়া পিঠা ব্যঞ্জন আৰু ইয়াৰ ৰেচিপি কেইটামান -

**অসমীয়া পৰম্পৰাগত তিল পিঠা**

**সামগ্ৰীসমূহ:**

১ কেজি বৰা চাউল (৪০ জনৰ বাবে)
৩০০ গ্ৰাম ক'লা তিল
গুড়

**নিৰ্দেশনাসমূহ:**

- বৰা চাউল ঢেকী বা গ্ৰাইণ্ডাৰ ব্যৱহাৰ কৰি পিহি লওক।
- বৰা চাউল স্বাভাৱিকতে আঠাযুক্ত; আঠা কম কৰিবলৈ তিতা কাপোৰেৰে তাক ঢাকি থওক।
- 
- ক'লা তিল ভাজিব যেতিয়ালৈকে ইয়াৰ পৰা সুগন্ধি ওলাই নাযায়।
- ঠাণ্ডা হ'লে খুন্দুনি ব্যৱহাৰ কৰি তিলখিনি অৰ্ধ-গুড়িৰ দৰে গুড়ি কৰি লওক।
- গুড় তৰল ৰূপলৈ পৰিণত হোৱালৈকে গৰম কৰক।
- তৰল গুৰখিনি পিহি লোৱা ক'লা তিলৰ লগত মিহলাই সংহত মিশ্ৰণ সৃষ্টি কৰক।
- পিঠা বনোৱা প্ৰক্ৰিয়াৰ বাবে পৰম্পৰাগত মাটিৰ তাৱা ব্যৱহাৰ কৰিব লাগে।
- বৰা চাউলৰ মধ্যমীয়া স্কুপ এটা লৈ লাহে লাহে টাৱাত ঘূৰণীয়া আকৃতিত মেলি দিব।
- প্ৰস্তুত কৰা তিল-গুড়ৰ মিশ্ৰণটো তাৱাত দিয়া চাউলৰ মাজত বিস্তাৰিত কৰিব।
- পিঠাখিনি লাহে লাহে ঘুৰণীয়া আকাৰত ঘুৰণীয়া কৰি লব ।
- তিল পিঠা এতিয়া পৰিৱেশন কৰিবলৈ সাজু হৈছে।

## অসমীয়া পৰম্পৰাগত নাৰিকল পিঠা

### সামগ্ৰীসমূহ:

১ কেজি বৰা চাউল (৪০ জনৰ বাবে)
১ টা নাৰিকল
গুড়

### নিৰ্দেশনাসমূহ:

- বৰা চাউল ঢেকী বা গ্ৰাইণ্ডাৰ ব্যৱহাৰ কৰি পিহি লওক।
- বৰা চাউল স্বাভাৱিকতে আঠাযুক্ত; আঠা কম কৰিবলৈ তিতা কাপোৰেৰে ঢাকি থওক।
- নাৰিকলখিনি মিহি টেক্সচাৰ গঠন হোৱালৈকে পিহি লওক।
- নাৰিকলখিনি সুগন্ধি ওলোৱালৈকে ভাজিব।
- গুড় তৰল ৰূপলৈ পৰিণত হোৱালৈকে গৰম কৰক।
- তৰল গুৰখিনি ভজা নাৰিকলৰ লগত মিহলাই সংহত মিশ্ৰণ তৈয়াৰ কৰিব।
- পিঠা বনোৱা প্ৰক্ৰিয়াৰ বাবে পৰম্পৰাগত মাটিৰ তাৱা ব্যৱহাৰ কৰিব লাগে।
- বৰা চাউলৰ মধ্যমীয়া স্কুপ এটা লৈ লাহে লাহে টাৱাত ঘূৰণীয়া আকৃতিত মেলি দিব।
- প্ৰস্তুত কৰা নাৰিকলৰ মিশ্ৰণটো তাৱাত দিয়া চাউলৰ মাজত বিস্তাৰিত কৰিব।
- পিঠাখিনি লাহে লাহে ঘূৰণীয়া আকাৰত ঘূৰণীয়া কৰি লব
- নাৰিকল পিঠা এতিয়া পৰিবেশন কৰিবলৈ সাজু হৈছে।

## অসমীয়া পৰম্পৰাগত নাৰিকল লাড়ু

২ টা নাৰিকল
৫০০ গ্ৰাম চেনি

### নিৰ্দেশনাসমূহ:

- নাৰিকল-চেনিৰ মিশ্ৰণ প্ৰস্তুত কৰক।
- নাৰিকলখিনি মিহি টেক্সচাৰ গঠন হোৱালৈকে পিহি লওক।
- কেৰাহীত পিহি লোৱা নাৰিকলখিনি ৫০০ গ্ৰাম চেনিৰ সৈতে মিহলাই লওক।
- চেনি গলি আৰু আঠাযুক্ত হোৱালৈকে কেৰাহীত মিশ্ৰণটো ভাজিব।
- মিশ্ৰণটো চম্ভালিবলৈ আৰামদায়ক হোৱালৈকে ঠাণ্ডা হ'বলৈ দিব।
- হাতৰ তলুৱাৰ সহায়ত মিশ্ৰণটোৰ সামান্য পৰিমাণে ঘূৰণীয়া লাড়ুৰ আকৃতি দিব।
- অসমীয়া পৰম্পৰাগত নাৰিকল লাড়ু এতিয়া পৰিৱেশনৰ বাবে সাজু হৈছে।

## অসমীয়া পৰম্পৰাগত তিল লাড়ু

### সামগ্ৰীসমূহ:

ক'লা তিল
গুড়

### নিৰ্দেশনাসমূহ:

- ক'লা তিল-গুড়ৰ মিশ্ৰণ প্ৰস্তুত কৰক।
- সুগন্ধি ওলোৱালৈকে ক'লা তিল ভাজিব।
- কেৰাহীত ভজা ক'লা তিলখিনি গুড়ৰ লগত মিহলাই লওক।
- গুড় গলি আঠাযুক্ত হোৱালৈকে মিশ্ৰণটো গৰম কৰি লওক।
- মিশ্ৰণটো ঠাণ্ডা কৰক।
- তিল-গুড়ৰ মিশ্ৰণটো চম্ভালিবলৈ আৰামদায়ক হোৱালৈকে ঠাণ্ডা হ'বলৈ দিব।
- হাতৰ তলুৱাৰ সহায়ত ঠাণ্ডা হোৱা তিল-গুড়ৰ মিশ্ৰণটোৰ সামান্য পৰিমাণে ঘূৰণীয়া লাড়ুৰ আকৃতি দিব।
- অসমীয়া পৰম্পৰাগত টিল লাড়ু এতিয়া পৰিৱেশনৰ বাবে সাজু হৈছে।



The Magazine is supported by Voluntary Organisation for Information and Community Empowerment (VOICE), an NGO registered under the Societies Registration Act XXI of 1860

**KONTHO**
**THE VOICE**

**ISSUE NO.06**

www.voice24x7.in